আমাৰ হাতত ইতিমধ্যে আহি পৰা শ্ৰদ্ধাৰ জুবিন গাৰ্গ সম্পৰ্কীয় বা-বাতৰি, বিভিন্ন লিখনি, কবিতা আদি ঠাইৰ অভাৱৰ বাবে সকলোবোৰ এই সংখ্যাত প্ৰকাশ কৰিব পৰা নগ'ল। গতিকে উক্ত লিখনি-কবিতাসমূহ অহা সংখ্যাত প্ৰকাশ কৰা হ'ব।

— সম্পাদক


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৬ ছেপ্টেম্বৰ ২০২৫/৯ আহিন ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ২৩ ● Vol - 14, Issue - 23


## যুগনায়কক সোঁৱৰণ




## সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ বিয়োগত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ শোকপ্ৰকাশ

**দিছপুৰ ঃ** অসমৰ কলা-সংস্কৃতি জগতৰ উজ্জ্বল নক্ষত্ৰ, যশস্বী শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা আকস্মিক বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে শিল্পীগৰাকীৰ এই প্ৰয়াণ অকল্পনীয়, অবিশ্বাস্য আৰু অনাকাংক্ষিত বুলি অভিহিত কৰিছে। এক শোকবাৰ্তা যোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে যে তিনিটা দশকৰো অধিক কালজোৰা অসামান্য শিল্পীজীৱনত জুবিন গাৰ্গে প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰি ৰাখিছিল। জনতাক উদ্বেলিত কৰি তুলিব পৰা এক অনন্য কণ্ঠৰ গৰাকী জুবিন গাৰ্গৰ সংগীতে সকলো শ্ৰেণীৰ লোকৰ হৃদয় আৰু আত্মাক স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সীমাৰ পৰিধি ভাঙি স্বকীয় ৰূপত উদ্ভাসিত হ'বলৈ সক্ষম হোৱা বিশিষ্ট শিল্পীগৰাকীৰ বিয়োগত অসমে আজি এগৰাকী সু-সন্তানক হেৰুৱালে। আজন্ম শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগে ৰাজ্যৰ কলা-সংস্কৃতিৰ জগতখনত যি ৰিক্ত স্থানৰ সৃষ্টি কৰিলে, সেয়া অপূৰণীয় বুলিও তেওঁ কয়। সংগীতৰ ক্ষেত্ৰখনৰ বাহিৰতো জুবিন গাৰ্গৰ জনতাৰ প্ৰতি থকা দুৰ্বাৰ প্ৰেম কল্পনাতীত আছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আৰ্তজনৰ প্ৰতি সহায়ৰ হাত আগবঢ়াবলৈ বিশিষ্ট শিল্পীগৰাকী সদায়ে উন্মুখ হৈ আছিল। জুবিন গাৰ্গৰ এই সহৃদয়তাৰ নিদৰ্শন সদায় স্মৰণীয় হৈ ৰ'ব বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে ১০ পৃষ্ঠাত

## জুবিন গাৰ্গ অমৰ হওক

■ **ড° নগেন শইকীয়া,** সাহিত্যিক



হঠাৎ এটি টেলিফোন আহিল। সুধিলে, জুবিন গাৰ্গৰ বিষয়ে আপুনি কিবা এটা ক'বনে? মই তেতিয়া কঁকালৰ বিষত পৰি আছোঁ। মই কথাটো একো নুবুজাকৈ ক'লো, মই এতিয়া লিখা সম্ভৱ নহ'ব। তাৰ এঘন্টামানৰ পিছত এজনে ক'লে যে জুবিন গাৰ্গে ছিংগাপুৰত সাগৰত স্কু'বা ড্ৰাইভিং কৰিবলৈ গৈ প্ৰাণ হেৰুৱালে। তেতিয়া স্বাভাৱিকতে মোৰ কণ্ঠ-শব্দ যেন হেৰুৱাই পেলালোঁ। জুবিন গাৰ্গে নিঃসন্দেহে বিভিন্ন সময়ত মানুহৰ মনত আতংক সৃষ্টি ১০ পৃষ্ঠাত

## জুবিন গাৰ্গ
### অসমৰ সাংস্কৃতিক আকাশৰ উজ্বল নক্ষত্ৰ

■ **ললিত নাথ,** ইটাখোলা

**অ**সমৰ সাংস্কৃতিক আকাশৰ এগৰাকী উজ্বল নক্ষত্ৰ জুবিন গাৰ্গ। তিনি দশকৰো অধিক কাল ধৰি তেওঁৰ সোণালী কণ্ঠই অসমীয়া জাতীয় জীৱনক স্পন্দিত কৰি ৰাখিছে। বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে তেওঁৰ গীতে সকলোকে একত্ৰিত কৰি অসমৰ সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধ কৰিছে। তেওঁ অকল সুৰৰ যাদুকৰেই নাছিল। এগৰাকী সুগায়ক,সংগীত পৰিচালক, গীতিকাৰ, অভিনেতা, চিত্ৰকৰ, আবৃত্তিকাৰ আৰু বিভিন্ন বাদ্যযন্ত্ৰৰ নিপুণ বাদক হিচাপে অসমৰ সাংস্কৃতিক আইকন হৈ পৰিছিল। বৰগীত, লোকগীত, কামৰূপী লোকগীত, বনগীত, দেহবিচাৰৰ গীত, বিহুগীত আদি ১০ পৃষ্ঠাত

## সমাজৰ নিঃকিন নিঃস্বজনলৈ জুবিনে সহায়ৰ হাত আগবঢ়াইছিল

■ **ড° জিতেন হাজৰিকা**

উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়



**ৰা**জ্যখনৰ লগতে সমগ্ৰ দেশবাসীক কন্দুৱাই অকালতে আমাৰ মাজৰ পৰা হঠাতে চিৰদিনৰ বাবে হেৰাই যোৱা জুবিন গাৰ্গ প্ৰকৃতাৰ্থত আছিল জনতাৰ শিল্পী, হিয়াৰ আমঠু। এক অতি সুমধুৰ কণ্ঠস্বৰৰ অধিকাৰী জুবিন গাৰ্গৰ প্ৰতিভাৰ পৰিচয় ১০ পৃষ্ঠাত

## নতুন সঙ্গীতৰ ধাৰা সৃষ্টি কৰিছিল জুবিন গাৰ্গে

■ **ডাঃ সঞ্জীৱ কাকতি**

অধ্যক্ষ, অসম চিকিৎসা মহাবিদ্যালয়



**অ**সমৰ সংগীত জগতৰ এগৰাকী স্বনামধন্য কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক, অভিনেতা জুবিন গাৰ্গৰ মৃত্যুত আমি মৰ্মাহত। সঁচা অৰ্থত ক'বলৈ গ'লে জুবিন আছিল সঙ্গীতৰ নতুন নতুন ধাৰা সৃষ্টি কৰা অনন্য ব্যক্তিত্বৰ ১০ পৃষ্ঠাত










# মানৱতাৰ এটি আদৰ্শ জুবিন গাৰ্গ



■ আচিক আহমেদ
নলবাৰী

অসমৰ নৱপ্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ কেৱল এজন গায়কেই নহয় বৰঞ্চ তেওঁ এজন অসীম সত্বাধাৰী সম্পদ। তেওঁৰ গভীৰতা আৰু সুকীয়া প্ৰতিভা অসমবাসীয়ে হৃদয়ৰে অনুভৱ কৰিব পাৰে। শিল্পী বহুজন আহিব আৰু যাব, কিন্তু জুবিন দাৰ দৰে দ্বিতীয়জন কেতিয়াও নোলাব, অসমৰ পৰিচয় জুবিন গাৰ্গৰ নামৰেই আৰম্ভ হয়। অসমবাসীৰ হৃদয়ত তেওঁ সাঁচি থোৱা মৰম যুগে যুগে অম্লান হৈ থাকিব, যেন- এক অনন্ত সোঁৱৰণী।

হাজাৰ হাজাৰজনৰ হাঁহি বিৰিঙাব পৰা জুবিন, নৱপ্ৰজন্মৰ বাবে আদৰ্শবান পুৰুষ তথা অসমৰ একমাত্ৰ চেলিব্ৰেটি বুলিলেই সৰ্বপ্ৰথমে তেওঁৰেই নাম উচ্চাৰিত হয়। অসমৰ একমাত্ৰ গৌৰৱ জুবিন গাৰ্গৰ পৰা আমি শিকিবলগীয়া বহুত কথাই আছিল। সাধাৰণতে শিক্ষা, ধন-সম্পত্তি বা কোনো পদ-মৰ্যাদা লাভ কৰাৰ পিছত বহু মানুহৰ মনোভাৱত আত্ম-অহংকাৰ জন্ম লৈ, আনক সঠিক মূল্য নিদিয়াকৈ নিজকে বিশেষ বুলি গণ্য কৰিবলৈ আৰম্ভ কৰে যদিও সঁচা সত্যটো বুজিব নিবিচাৰে যে-জীৱন ক্ষণস্থায়ী, মৃত্যুৰ পাছত সকলো শূন্য হৈ পৃথিৱীত অস্তিত্ব বুলিবলৈ একোৱে নাথাকে, য'ত মানুহে সেই নিথৰ দেহটোও চুই হাত ধুব। এই সত্য বুজিব নোৱাৰা মানুহৰ জীৱন ব্যৰ্থ যদিও সেই উপলব্ধিৰে সমৃদ্ধ আছিল জুবিন দা, যাৰ বাবে তেওঁ সাত্যিক অৰ্থত আদৰ্শ।

অতি মহান ব্যক্তি হৈয়ো তেওঁ অতি সাধাৰণভাৱে সকলোৰে লগত মিলিব পাৰিছিল। বহু ডাঙৰ ব্যক্তিয়ে মানুহৰ ওচৰত সহজে উপলব্ধ হ'বলৈ নিবিচাৰে, কিন্তু তাৰ বিপৰীতে জুবিনৰ ব্যতিক্ৰমী ব্যক্তিত্বই য'ত সাধাৰণ আৰু বিনয়ী মনোভাৱে তেওঁক সকলোৰে মাজত আপোন কৰি তুলিছিল। মানৱতাৰ নামত নিজৰ জীৱন উজাৰি দিবলৈ তেওঁ কেতিয়াও কুণ্ঠিত হোৱা নাছিল। বহুতো শিক্ষিত, ধনী, নাইবা জনপ্ৰিয় ব্যক্তিয়ে যি সুলভ মনোভাৱ প্ৰদৰ্শন নকৰে, সেই বৈশিষ্ট্যৰ পৰা একেবাৰে দূৰত আছিল জুবিন গাৰ্গ। এজন খ্যাতিমান চেলিব্ৰেটি হৈয়ো তেওঁ নিজকে বিশেষ বুলি গণ্য নকৰি তথা আত্ম অহংকাৰত মুগ্ধ নাৰাখি সকলোকে আপোন বুলি ভাবি নিজকে মানৱতাৰ নামত বিলীন কৰি দিছিল ।

তেওঁৰ গানত হতাশা, প্ৰেম, বিফলতা, সংগ্ৰাম-সকলো অনুভৱ প্ৰাণ পাই উঠিছিল। তেওঁৰ গীতত বহুতেই জীৱনৰ প্ৰতিচ্ছবি দেখা পাই। আনৰ কল্যাণত বিশেষকৈ চিকিৎসা, পঢ়া খৰচ আদিত সহায় কৰাটো তেওঁৰ মহত্বৰ লেখল'বলগীয়া উদাহৰণ। মানুহক ইমানবোৰ সহায় কৰাৰ পাছতো সেইবোৰ কথা তেওঁ সংবাদ মাধ্যমত কেতিয়াও প্ৰচাৰ কৰিবলৈ দিয়া নাছিল। কোনোবাই তেওঁৰ পৰা সহায় নাইবা টকা পইচা বিচাৰিলেও তেওঁ নিদিওঁ বুলি ক'বলৈ বৰ টান পাইছিল। যাৰ সংগীত অসমীয়াৰ স্পন্দন প্ৰাণ পাই সেই জন জুবিন গাৰ্গৰ মৃত্যু সঁচাই মৰ্মান্তিক, এতিয়াও তেওঁৰ শূন্যতাই অসমবাসীক আঘাত দিয়ে। তথাপি, তেওঁৰ আদৰ্শ, তেওঁৰ মৰম আৰু তেওঁৰ সুকীয়া ব্যক্তিত্ব সদায় চিৰস্থায়ী হৈ থাকিব। ক'বলৈ গ'লে- জীৱনটোৰ পৰা একোৱেই আশা কৰিব নোৱাৰি, কাৰ ক'ত কেতিয়া মৃত্যু হয় সেয়া কোনেও নাজানে, নভৱাকৈ অসমৰবাসীৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱা জুবিন গাৰ্গৰ মৃত্যু এক অমূল্য ক্ষতি। যাৰ কণ্ঠত প্ৰাণ পাই উঠে আৰু বিলীন হৈ যায় বহুজন সেই কণ্ঠ আজি স্তব্ধ হৈ পৰাত অসমবাসীয়ে সহজে মানি ল'ব পৰা নাই। অসমবাসীৰ বাবে হাঁহি আৰু কণ্ঠ দান দিয়া জুবিন, নৱপ্ৰজন্মৰ আদৰ্শ; তেওঁ আজি আমাৰ মাজত নাই, যদিও কিন্তু তেওঁ অসমবাসীৰ হৃদয়ত সদায় সজীৱ হৈ ৰ'ব।

**ম'বাইল ঃ ৯৩৬৫৮-৬৫০৮২**

# জুবিন গাৰ্গ আৰু মোৰ কিছু কথা

■ **ছেলিমা বেগম,** নগাঁও



জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ পাই মৰ্মাহত হৈছোঁ। এজন সু সন্তান অসমৰ বুকুৰ পৰা হেৰাই পেলোৱা কিমান যে দুখৰ বিষয় সেই কথা সকলোৱে জানে। জুবিন আছিল আমাৰ অসমৰ এজন শিল্পী। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গুণ তেখেতৰ গাত আছিল। তেখেত আছিল এজন সুদক্ষ, গায়ক, অভিনেতা, চলচ্চিত্ৰ নিৰ্মাতা আৰু যে ক'ত গুণৰ অধিকাৰী। তেখেতৰ গুণ অমৰ হৈ জীয়াই থাকিব ইতিহাসৰ পাতে পাতে লিপিবদ্ধ হৈ থাকিব অসমৰ এজন প্ৰসিদ্ধ লেখক, শিল্পী, অভিনেতা, নিৰ্মাতা, সুৰকাৰ গীতিকাৰ কবি আৰু এজন মহান পণ্ডিত হিচাপে।

এজন উজ্বল নক্ষত্ৰ খহি পৰিল অসমৰ আকাশৰ পৰা। অসমৰ সংগীত জগতৰ অন্যতম প্ৰসিদ্ধ কণ্ঠশিল্পী হেৰুৱাই অসমীয়া গানৰ সুৰৰ ঝংকাৰ মুচি গ'ল চিৰদিনৰ বাবে নিঃশেষ হৈ গ'ল জুবিন গাৰ্গৰ সংগীত জগতৰ নিয়ম মানি আজি আমাৰ মাজৰ পৰা বিদায় লৈছে এইজন সুৰকাৰ। লুইতৰ দুয়ো পাৰ আজি শোকৰ বন্যা ঘোৰ ঘোৰ আন্ধাৰ নামি আহিলে সংগীত জগতত। নিষ্ঠুৰ মৃত্যু কিয় আহি লৈ গৈছে জুবিন গাৰ্গৰ প্ৰাণ বায়ু। সঁচাকৈ মৃত্যু অনিবাৰ্য, ইয়াৰ পৰা হাত সাৰিবলৈ কাৰোবাৰ হাত নাই। মৃত্যুৰ সোৱাদ এদিন সকলো জীৱ ল'ব লাগিব।

জুবিন বিহীন আজি কোনে গাব শুৱলা গীত। বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন ভাষাৰ গীত গাই মন জয় কৰিবলৈ আজি বিদায় লৈ গুচি গ'লা মঞ্চত গীত গাই গাই মানুহৰ মন জয় কৰা জনেই আমাৰ জুবিন আছিল। নিজৰ সিদ্ধান্ত আছিল তাৰ জীৱনৰ একলব্যই সিদ্ধান্ত। চলচ্চিত্ৰ জগতত দপদপনি তুলি সমাজ সংস্কাৰ কৰিবৰ বাবে দিনে নিশাই পৰিশ্ৰম কৰি নিজৰ কাম একেৰাহে চলাই ৰাখিছিল জুবিন গাৰ্গে। নিজৰ পৰিয়ালৰ কথা তাৰ মনত নিছিল, সংগীত পৰিচালনা কৰা তাৰ আছিল একমাত্ৰ উদ্দেশ্য। অসমৰ এনে এজন স্যমন্তমণি অসমৰ পৰা হেৰাই যোৱাটো অসমৰ বহুতো ক্ষতি হৈছে। আজি অসমীয়া বৰকৈ অসহায় হৈ পৰিছে।

জুবিন গাৰ্গৰ অংগৰাগ সকল শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিবলৈ টান পাইছে। কাৰণ এনে এজন ব্যক্তি অসমৰ বুকুৰ পৰা বিদায় দিয়াটো অসমবাসীয়ে মানিবলৈ টান পাইছে। সংগীত জগতৰ অন্যতম প্ৰসিদ্ধ কণ্ঠশিল্পী হেৰুৱাই অসমীয়া মানুহৰ মাজত হাহাকাৰ লাগিল। অসমৰ লগতে বহি ৰাজ্যৰ পৰা সন্মান অৰ্জন কৰি নিজৰ নাম উজ্বল কৰিছিল জুবিন গাৰ্গে। সন্তানৰ কথা ভবা নাছিল সংগীত জগতখনেই নিজৰ সন্তানৰ দৰে পুহ পালন কৰিছিল। মঞ্চত গীত গাই থাকোঁতে কেতিয়াবা কৈছিল মই সন্ন্যাসীৰ দৰে জীৱন যাপন কৰিম জংঘলৰ মাজৰ যাবলৈ বাধ্য জুবিন।

জুবিন গাৰ্গে কাকো ভয় কৰি কথা কোৱা নাছিল। বহুতো দুখীয়া মানুহৰ ওপৰত তেখেতৰ দয়া মৰম চেনেহ আছিল। মঞ্চত গীত গাই থাকোঁতে জুবিন গাৰ্গে কৈছিল মোৰ মৃত্যু হ'লে জ্বলাই নিদিব, ব্ৰহ্মপুত্ৰৰ বুকুত উঠাই দিব।

মোৰ কোনো ধৰ্ম নাই তথাপিও মনৰ অনুভৱ খিনি প্ৰকাশ কৰিবলৈ বিচাৰোঁ।

এই জন সুৰকাৰ, গীতিকাৰ, কবি, লেখক, অভিনেতা নিৰ্মাতা বহু গুণৰ অধিকাৰী অসমৰ উজ্বল নক্ষত্ৰ অসমীয়াক কন্দুৱাই এটা যুগৰ অন্ত পেলাই চিৰদিনৰ বাবে মেলানি মাগিছে ২০২৫ চনৰ ১৯ চেপ্টেম্বৰ মাহৰ শুকুৰবাৰৰ দিনটোত। জুবিন গাৰ্গৰ জন্ম দিনটো আছিল ১৯৭২ চন ১৮ নৱেম্বৰ।

# এটি যুগৰ অৱসান ঘটিল

■ **ৰশ্মি ৰেখা দুৱৰা,** ডিব্ৰুগড়

মৃত্যু এক চিৰন্তন সত্য। সত্যটো মানি ল'বলৈ কষ্ট হৈছে যদিও আমি মানি ল'বই লাগিব। সকলোৱে হিয়াৰ আমঠু অসমৰ হাৰ্টথ্ৰব জুবিন দা আৰু আমাৰ মাজত নাই। চিৰ জীৱনৰ বাবে গুচি গ'ল। বাতৰিটো শুনিবলৈ পাই বিশ্বাস কৰিবলৈ টান হৈছিল। স্তব্ধ হৈ পৰিছিলোঁ। চৌদিশ ধূসৰ হৈ পৰিছিল। বুকুখন বিষাই গৈছিল। মাথোঁ প্ৰাৰ্থনা কৰিছিলোঁ, ঘটনাটো মিছা হওক। অলপ সময় ৰৈ বাতৰিবোৰ চায় জানিব পাৰিলোঁ ঘটনাটো সঁচা। বুজাব নোৱাৰা এক শিহৰণকাৰী ঘটনা। সমগ্ৰ অসমখনে যেন স্তব্ধ হৈ পৰিছিল।

জুবিন দাৰ খবৰ পোৱাৰে পৰা চাৰিওফালৰ পৰিৱেশ নিৰ্জন হৈ পৰিছে। জুবিন দা, এজন শিল্পীয়ে নহয় এক সত্তা। জুবিন দাই যি অৱদান আগবঢ়াই গৈছে, সেয়া আমাৰ সিৰে-সিৰে বৈ থাকিব। জুবিন দা আমাৰ প্ৰাণত, হৃদয়ত সদায় থাকিব। জুবিন দাৰ কোনটো গান শুনা নাছিলোঁ। প্ৰতিটো গানৰ মাজতেই নতুন আভাস পাইছিলোঁ। যাত্ৰা কৰাৰ সময়ত, অকলে নিজানত থকাৰ পৰত, ৰাতি যেতিয়া টোপনি নাহে, কোন সময়ত জুবিন দাৰ গান শুনা নাছিলোঁ। যেতিয়াই মন যায় তেতিয়াই শুনিছিলোঁ। আপুনি আমাৰ মাজৰ পৰা কায়িকভাবেহে নোহোৱা হৈছে, আপোনাৰ সত্তা সদায় আমাৰ মাজত থাকিব।


এটি যুগৰ অৱসান ঘটিল। বহুমুখী প্ৰতিভাৰ গৰাকী সহজ-সৰল মনোভাৱৰ ব্যক্তিজন সাগৰৰ বুকুতে বিলীন হৈ গ'ল। কোনোদিন ঘূৰি নহাৰ বাটেৰে গুচি গ'ল। আপোনাক হেৰুওৱাই আজি সকলোৱে শোকত মৰ্মাহত হৈছে। আপুনি নোহোৱা হ'ব নোৱাৰে আপুনি ধ্ৰুৱতৰা হৈ জিলিকি থাকিব। আপুনি য'তেই আছে কুশলে থাকক।

# নগাঁৱত যুগজয়ী শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি উদীয়মান যুৱক সংঘৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** পঞ্চভূতত বিলীন হৈ গ'ল সকলোৰে মৰমৰ, হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গ। লাখ লাখ গুণমুগ্ধই চকুলো নিগৰাই শেষ বিদায় জনালে প্ৰিয় শিল্পী গৰাকীক। চৌপাশে গুঞ্জৰিত হ'ল শিল্পীজনৰ অনুপম হৃদয়স্পৰ্শী গীত 'মায়াবিনী ৰাতিৰ বুকুত...। এক শোকাকূল পৰিৱেশত শিল্পীজনৰ পাৰ্থিৱ দেহৰ অন্তিম সংস্কাৰৰ দৃশ্য চাই সকলো শোকত ম্ৰিয়মান হৈ পৰিল। সকলোৱেই অশ্ৰুসিক্ত নয়নেৰে চুকে-কোনে টেলিভিছনৰ যোগেদি প্ৰত্যক্ষ কৰিলে প্ৰিয় শিল্পীগৰাকীৰ অন্তিম যাত্ৰাৰ দৃশ্য। একপ্ৰকাৰে শিল্পীগৰাকীৰ মহাপ্ৰয়াণৰ দিনটোৰ পৰাই সমগ্ৰ ৰাজ্যৰ লগতে বহিঃৰাজ্যটো বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰিয় শিল্পীজনক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। ইয়াৰ অংশ হিচাপে মঙলবাৰে নগাঁও চহৰৰ উত্তৰ হয়বৰগাঁও জন্মিজয় বৰা পথত উদীয়মান যুৱক সংঘৰ তৰফৰ পৰা এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উদীয়মান যুৱক সংঘৰ সভাপতি পাৰ্থপ্ৰতিম মহন্ত আৰু সম্পাদক প্ৰকাশ জ্যোতি শৰ্মাৰ একান্ত উদ্যোগত আয়োজিত অনুষ্ঠানত সংঘৰ সদস্যসকলে অসমবাসীৰ প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰ দ্বাৰা কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে কেইবাজনেও গীতেৰে জগত জিনা শিল্পীগৰাকীৰ কৰ্মময় জীৱন, সৃষ্টিৰাজি আৰু জীৱনাদৰ্শৰ বিষয়ে আলোকপাত কৰি আবেগিত পৰিৱেশৰ সৃষ্টি কৰে।

# জুবিন মানে এটি কবিতা

■ বিতোপন গগৈ
শিমলুগুৰি, লখিমপুৰ



কবিতাৰ যিদৰে বহু অন্তৰ্নিহিত অৰ্থ থাকে, জুবিনৰো জীৱনটো কিবা ছন্দোবদ্ধ মায়াৰ ধ্ৰুম্ৰায়িত জটিল শব্দৰ আৱৰণ উপলব্ধ, কোনেও নজনাকৈ এনেকৈয়ে আকস্মিক মৃত্যুৰ বেহুজাল ৰচনা হৈ থাকেনে? ইমান দুখৰ চকুলো বোৱাই কান্দিবলৈ মানুহক বাধ্য কৰাব লাগেনে? নিষ্ঠুৰ নিয়তিয়ে বৰ বেয়াকৈ অন্তৰত আঘাত দি যায়।

ভাবিব নোৱাৰাকৈ সাধু কথা কৈ থকাৰ সময়তে সাগৰত প্ৰচণ্ড ঢৌ উঠে। চিন্তা নকৰাকৈয়ে মানুহৰ পৰিচয় টোকা শিলত খোদিত হয়। কোন কাৰ পিতৃ, কোন কাৰ মাতৃ(?); একো হিচাব নাথাকে। তাৰ মাজতো বহু সাধনা, অলেখ ভাবৰ গুঞ্জনত সৃষ্টি হয় অযুত অনবদ্য কবিতা।

জুবিন মানে এটি কবিতা। ২০১৯ চনৰ এনে এক সন্ধিয়া। আমি গৈছিলো জুবিন গাৰ্গৰ কুটীৰলৈ; য'ত লিখা আছিল— 'মই জুবিন...।" / "মায়া...মায়া মাথোঁ মায়া...।"

তেনেদৰে— "বগাকৈ বগলী...।" নাইবা "পাখিতেই পাখি লগাই...।" / "যাবলৈ খোজোতেই থমকিব...।" / "আহে বা নাহে ঘূমতি...।"

এনেকৈয়ে শেষ হৈ যায় জীৱনৰ সঁচা অনুভূতি। জুবিন গাৰ্গৰ মৃত্যুৰ খবৰে বৰকৈ কন্দুৱাই যোৱাৰ এই মৰ্মাহত ক্ষণত মনত পৰিছে আমাৰ এক অনুভৱী স্মৃতি। ভালপোৱা আৰু অনাবিল প্ৰেমৰ বাবেই আমি কণ্ডৰী সোণোৱাল, ৰফিক আহমেদ, দেবেন্দ্ৰ হাজৰিকা আৰু মই (বিতোপন গগৈ) গৈছিলো কটন কলেজৰ বিভিন্ন হলত আয়োজন কৰা শৈক্ষিক 'নিষ্ঠা' (NISTHA) প্ৰশিক্ষণৰ পিছত খাৰঘুলি পাহাৰৰ জুবিনৰ ঘৰলৈ। এক পাহৰিব নোৱাৰা সান্ধ্য অনুভূতি।

জাকৈ-খালৈ, পুখুৰী, খেৰৰ জুপুৰী, গ্ৰাম্য ছবি ইত্যাদিৰে ভৰপূৰ সৰু ঘৰটোৰ ভিতৰলৈ যাওঁতে হোৱা অনুভৱ অপ্ৰকাশ্য। ফটো তুলিলো। কথা পাতিলো। এইয়াই জীৱন। তুমি কবিতাৰ স্তৱক হৈ ৰ'লা।

**ম'বাইল ঃ ৯৩৬৫১-৬৮৮০৬**

# এটা নক্ষত্ৰ হেৰাই গ'ল

■ আয়শা ছিদ্দিকা (আছৰি)
বাংলিপাৰা, বৰপেটা

মানুহৰ জীৱনত কিছুমান সময় আহে যি সময়বোৰ পুৰণি ইতিহাসক ভাঙি দিয়ে আৰু নতুন ইতিহাসৰ পাত খোলে। অসমবাসীৰ বাবে ১৯ ছেপ্টেম্বৰ, ২০২৫ তাৰিখটো তেনে এটা সময় হৈ পৰিল। কণ্ঠৰ যাদুৰে কোটি কোটি হৃদয় জয় কৰা শিল্পী, অসমবাসীৰ বুকুৰ স্পন্দন জুবিন গাৰ্গৰ অকাল প্ৰস্থানৰে যেন এটা যুগৰ অন্ত ঘটিল।

জুবিন গাৰ্গ মাথোঁ এজন গায়ক নাছিল তেওঁ আছিল প্ৰতিজন অসমীয়াৰ হৃদয়ৰ দীপ্ত শিখা, আশাৰ ৰেঙনী, নতুনত্বৰ সপোন আৰু নতুন প্ৰজন্মৰ মুখপত্ৰ। শৈশৱৰ গানৰ পৰা যৌৱনৰ উন্মাদনা আৰু আকালৰ কান্দোন প্ৰতি অৱস্থাত তেওঁৰ সুৰে অসমবাসীৰ অন্তৰ স্পৰ্শ কৰিছিল। তেখেতৰ গীত এটা জীৱন্ত যুগৰ প্ৰতিচ্ছবি হৈ জিলিকি ৰ'ব চিৰদিনলৈ।

অসমবাসীৰ বাবে তেখেত এজন শিল্পী নহয় মাথোঁ জীৱনৰ একোটা অংশ হিচাপে জ্ঞান কৰে। তেওঁ আছিল গাঁৱৰ ঘৰৰ ৰেডিঅ'ৰ পৰা চহৰীয়া মঞ্চলৈ ধ্বনিত হোৱা এক সজীৱ স্বত্তা। তেওঁৰ মৃত্যুৰ খবৰে সমগ্ৰ অসম শোকাস্তব্ধ হৈ পৰিলে। সকলো হৃদয়ত একে বিষাদৰ বেদনাৰ ঢৌ তুলিছে। অসমৰ পৰা যেন এটা গানৰ যুগ শেষ হ'ল। অসমবাসীয়ে এটা নক্ষত্ৰ হেৰুৱালে। হেৰুৱালে এজন স্পষ্টবাদী, কোমল মনৰ অধিকাৰী, সকলোকে সন্মুখত সমালোচনা কৰা এজন ব্যক্তিক।

তেখেতৰ বিয়োগৰ বাতৰিয়ে গাঁও-চহৰৰ পথ, সামাজিক মাধ্যম, শিক্ষাপীঠৰ পৰা ৰাজনৈতিক মঞ্চলৈ, সৰ্বত্ৰ একে শোকৰ ধ্বনি। বুকুখনত চিনচিনীয়া ব্যথা উপলব্ধ হৈ আছে যেন কোনোবাই কলিজাৰ এটা অংশ ছিঙি লৈছে। কিমান কান্দিলেও উভতি নাহে এই বেদনাই অসমবাসীক একত্ৰিত কৰি শোকত মিলাই দিলে। যদিও জীৱনৰ যাত্ৰা থমকি গ'ল, মাত্ৰ দেহ হে ধূলিৰ মিলি যাব কিন্তু তেখেত আমাৰ হৃদয়ত জীয়াই থাকিব অমৰ হৈ চিৰদিন চিৰকাললৈ।

জুবিন গাৰ্গৰ গানবোৰে যুগে যুগে নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব। তেওঁৰ কণ্ঠত ভৰা প্ৰেম, সাহস, বিদ্ৰোহ আৰু মৰম সদায় প্ৰতিধ্বনিত হ'ব। অসমবাসীৰ বাবে তেওঁ এক জীৱন্ত স্মৃতি, যি কালক্ৰমেও মলিন হ'ব নোৱাৰে। তেওঁ এট ধ্বনি, এটা অনুভৱ। সেই অনুভৱ সদায় অমৰ হৈ থাকিব।



অসমক বিশ্বমানচিত্ৰত লৈ যোৱা শিল্পী হিচাপে জুবিন গাৰ্গে অসমবাসীক দিছে গৰ্বৰ এক নতুন ৰূপ। অসমীয়া ভাষা, সংস্কৃতিত তেখেতৰ অৱদান অবিহনে অসম্পূৰ্ণ। বলীউডৰ পৰা টলীউডলৈ, দেশৰ পৰা বিদেশলৈ সকলোতে তেখেতৰ সুৰৰ ঝংকাৰ বিদ্যমান। জুবিন গাৰ্গ মাথোঁ এটা সাধাৰণ নাম নহয়, নহয় মাথোঁ এজন সাধাৰণ মানুহ ই অসমীয়া জাতিৰ গৌৰৱৰ প্ৰতীক।

অসমীয়াৰ চকুৰ মণি সোণৰ টুকুৰা।

এটা যুগৰ অন্ত হ'লেও এটা নতুন যুগৰ আৰম্ভণি জুবিন গাৰ্গৰ সুৰত সজীৱ হৈ থাকিব।

তেওঁ যোৱা নাই, তেওঁ আছে গীতৰ প্ৰতিটো সুৰত, প্ৰতিটো হৃদয়ত। তেওঁৰ গানেই হ'ব আগন্তুক প্ৰজন্মৰ প্ৰেৰণা, সাহস আৰু স্বপ্নৰ পথদৰ্শী।

কিছুমান মৃত্যু মানি ল'ব নোৱাৰোঁ। যদিও মৃত্যু এক চিৰ সত্য। তথাপিও এই বাতৰি মনে নামানে। এনে লাগে খবৰটো মিছা হওক, উৰাবাতৰি হওক। কিন্তু বাস্তৱ যে বৰ কঠিন। তেখেতৰ বিয়োগত গোটেই বিশ্বই স্তব্ধ। এই বিয়োগ মাত্ৰ দেহৰ বিয়োগ অন্তৰৰ পৰা কেতিয়াও বিয়োগ নহয়। তেখেতে গোৱাৰ দৰে এতিয়া ক'ব লাগে সঁচাই মৃত্যুও এতিয়া সহজ। হৃদয়ৰ সমস্ত মৰম ঢালি তেখেতলৈ অশ্ৰুঅঞ্জলি যাচিলোঁ। জুবিন দা য'তেই আছা ভালে থাকা।

'মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখী জনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই ঈশ্বৰ সেৱা কৰা হয়।' — **জুবিন গাৰ্গ**

**ম'বাইল ঃ ৯৩৬৫৬-৮১৯৬৮**

# এটা যুগৰ অকাল অৱসান

■ বনশ্ৰী শৰ্মা



জুবিন দালৈ শ্ৰদ্ধাঞ্জলি, জুবিন দা আৰু নাই... কেতিয়াও কল্পনা কৰিব নোৱাৰা এক ঘটনা। স্তব্ধ হৈ ৰ'ল সময়, স্তব্ধ হৈ ৰ'ল সমগ্ৰ অসম, স্তব্ধ হৈ ৰ'ল প্ৰতিজন জুবিনপ্ৰেমীৰ জীৱন। পুৱা শুই উঠিয়েই জুবিন গাৰ্গৰ কণ্ঠৰ ভক্তিমূলক গীতেৰে আৰম্ভ হোৱা দিনটোৰ পৰা ৰাতিলৈকে প্ৰতিটো সময় ক'ব নোৱাৰাকৈয়ে আমাৰ বাবে হৈ আছিল জুবিনময়। নিজকে কেতিয়াও জুবিনপ্ৰেমী, জুবিন গাৰ্গৰ অনুৰাগী বুলি নোকোৱাজনেও ক'ব নোৱাৰাকৈয়ে জুবিনময়তাতেই মজি থাকে। আধ্যাত্মিকতা, শৈশৱ, কৈশোৰ, জীৱন, যৌৱন, বৃদ্ধাৱস্থা, মৃত্যু চেতনা, প্ৰকৃতি, ৰাজনীতি, সন্ত্ৰাসবাদৰ বিৰোধিতা, প্ৰেম, বিৰহ, বিবাহ, সহোদৰ প্ৰীতি, বন্ধুত্ব...কি নাছিল তেওঁৰ সংগীতত। জুবিন গাৰ্গৰ গান নুশুনা, জুবিন গাৰ্গৰ গান বেয়া পোৱা মানুহ যে অসমত এজনো নাই সেয়া ১০০ শতাংশই নিশ্চিত। প্ৰেম কি বুজা নহওঁতেই অসমৰ ল'ৰা-ছোৱালীয়ে তেওঁৰ প্ৰেমৰ গান শুনি সেই গানৰ মাজতেই নিজৰ প্ৰেম কাহিনী, প্ৰেমিক, প্ৰেমিকাক কল্পনা কৰি সপোন ৰচে, বিৰহ কি নুবুজাকৈয়েই জুবিন গাৰ্গৰ বিৰহ বেদনাৰ গানত বুকু ভাঙি কান্দে অসমীয়া ল'ৰা-ছোৱালীয়ে, তেওঁৰ গানতেই সন্ত্ৰাসবাদশূণ্য শান্তিপূৰ্ণ অসম এখনৰ সপোন দেখে প্ৰতিজন অসমীয়াই, বিহু অনুষ্ঠানৰ পৰা আৰম্ভ কৰি বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান, বিয়া, বিভিন্ন আনন্দোৎসৱত জুবিন গাৰ্গৰ গানতেই সকলোৱে এপাক নাচে, স্ফূৰ্তি কৰে, দুখন হিয়াৰ মিলন হ'লে জুবিন গাৰ্গৰ গান, সম্পৰ্ক বিচ্ছেদ হ'লে জুবিন গাৰ্গৰ গান, প্ৰেমত প্ৰতাৰিত হ'লেও জুবিন গাৰ্গৰেই গান, সুখতো জুবিন, দুখতো জুবিন, সফলতাতো জুবিন, বিফলতাতো জুবিন, আইৰ কোলাতো জুবিনৰ গান, আই বিহীন সময়তো জুবিন গাৰ্গৰ গানতেই জিৰণি... মুঠতে প্ৰতিটো সময়তেই আমি জনা-নজনাকৈয়ে জুবিন গাৰ্গ নামৰ এই বিস্ময়কৰ সুৰীয়া সত্তাটোৰ সুৰ, শব্দৰ মায়াজালতেই আশ্ৰয় লওঁ। য'ত আমাৰ নিজৰ শব্দ বিফল হয় তাতেই কথা কয় জুবিন দাৰ সুৰ, শব্দ আৰু কণ্ঠৰ মায়াজালে। জুবিন গাৰ্গ কেৱল এক নাম নহয়, নহয় কেৱল এগৰাকী শিল্পী, তেওঁ অসমৰ বাবে এক যুগ। যিটো যুগক সুঁৱৰি ভৱিষ্যৎ প্ৰজন্মই ক'ব এয়া জুবিন যুগৰ কথা, এয়া জুবিন যুগৰ কাহিনী, হয়তো আমাৰ পৰিচয় হ'ব 'জুবিন যুগৰ মানুহ' হিচাপে। আকাশৰ বিশালতাকো বুকুত আলফুলে সামৰি ল'ব পৰা এক বিস্ময়কৰ সত্তা আছিল জুবিন গাৰ্গ। কেতিয়াবা যদি শিশুৰ দৰে আচৰণ কৰি সকলোকে আমোদ দিছে, কেতিয়াবা আকৌ তত্ত্বগধুৰ কথাৰে সকলোকে ভাবুক কৰি তুলিছে আকৌ কেতিয়াবা হঠাতে যিহকে মন যায় কৈ বিতৰ্কিতও হৈছে। তথাপি কোনেও তেওঁক কেতিয়াও বেয়া পোৱা নাই, নোৱাৰে তেওঁক কোনেও বেয়া পাব। অৱশ্যে তেওঁক লৈ অভিমান আৰু সচেতনতা প্ৰত্যেকৰে আছিল। নিজৰ যত্ন নোলোৱা, য'তে ত'তে যিকোনো কথা কৈ বিতৰ্কিত বিষয় হোৱাৰ বাবেই বহুতো অনুৰাগীৰ তেওঁক লৈ অভিমান আৰু সচেতনতাৰো অন্ত নাছিল। কিন্তু এতিয়া অনুভৱ হৈছে তেওঁ তেনে ধৰণৰ আছিল বাবেই হয়তো বাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গ হৈ থাকিল সদায়। তেওঁ নিজস্ব ধৰণেৰে জীৱন জীয়াব পাৰিছিল, সুখী হোৱাৰ ধৰণো আছিল তেওঁৰ ব্যতিক্ৰমী আৰু নিজস্ব। কোনো ধৰণৰ লুক-ঢাক নোহোৱা, আৱৰণ নোহোৱা এক বিস্ময়কৰ সত্তা আছিল জুবিন গাৰ্গ। কিন্তু কথাতেই কয় নহয় যে মহান লোকৰ জীৱনকাল বৰ বেছি দীঘলীয়া নহয়, উদাহৰণস্বৰূপে আমি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ কথাই মনত পেলাব পাৰোঁ। সাগৰ তলিত শুবৰে মন বুলি কোৱা মানুহজনক সাগৰেই কাঢ়ি নিলে আমাৰ পৰা চিৰদিনৰ বাবে। এবাৰ চক্ৰপাণি পৰাশৰৰ সৈতে হোৱা এক বাৰ্তালাপত যেতিয়া চক্ৰপাণি পৰাশৰে কৈছিল পানীয়ে সকলো শেষ কৰি দিব পাৰে বুলি তেতিয়াই জুবিন গাৰ্গে কৈছিল, 'অ' পানীৰ কথাটো হ'ল সেইটো আচলতে ব্ৰুচ লীয়ে কোৱা কথা water is the softest and it can break the hardest" তাৰপিছত তেওঁ শ্ৰীলংকাত নিজৰ সৈতে সংঘটিত হোৱা ঘটনাৰ এটাৰ উদাহৰণেৰেও বুজাইছিল যে পানীয়ে কিদৰে সকলো ধ্বংস কৰি দিব পাৰে। লগতে তেওঁ ইয়াকো কৈছিল যে তেওঁ পানীলৈ অকণো ভয় নকৰে আৰু তেওঁ খুউব ভালদৰে সাঁতুৰিবও পাৰে। কিন্তু নিষ্ঠুৰ নিয়তিয়ে পানীৰ সহায়তেই তেওঁক আমাৰ মাজৰ পৰা কাঢ়ি নিলে। জুবিনবিহীন সময়, জুবিনবিহীন অসম কল্পনাতীত। ভাঙি পৰিছে প্ৰতিজন অসমীয়া, প্ৰতিজন জুবিনপ্ৰেমী। সকলোৱে বিচাৰে মিছা হওক এই খবৰ, মিছা হৈ পৰক এই নিষ্ঠুৰ সময়। জুবিন দাৰ নিজৰ কায়দাৰে তেওঁ উঠি বহক আৰু নিজস্ব ভংগীমাৰে কওক 'মই মৰিব পাৰোঁ নেকি? নমৰোঁ মই এতিয়াই'। মিছা হৈ যাওক এই সময়, মিছা হৈ পৰক জুবিনবিহীনতাৰ সংবাদ। আজি সময়েও কান্দিছে, স্তব্ধ হৈ পৰিছে সকলো আনকি সময়ো। এটা যুগৰ যেন অকাল অৱসান ঘটিল। অবিশ্বাস্য, কল্পনাতীত এই নিষ্ঠুৰ সময়... বিষন্ন অসম, ৰিক্ত চৌদিশ।

**ম'বাইল ঃ ৯৮৬৪১০-৮৯৭৪৫**

# আকাশৰ দৰেই বিশাল আছিল হিয়াৰ আমঠুৰ অন্তৰখন



■ হেৰম্ব নাথ

আকাশৰ দৰেই বিশাল আছিল হিয়াৰ আমঠুৰ অন্তৰখন। নিভাঁজ তথা কোমলতাপূৰ্ণ অন্তৰৰ অধিকাৰী জুবিন দাক হেৰুৱাই কেৱল যুৱ প্ৰজন্মই নহয় অসমৰ প্ৰতিজন মানুহেই মৰ্মাহত হৈছে। গীত কিয় ল'ৰা ধেমালিৰ জৰিয়তেও জুবিন দা নয়নৰ মণি হৈ পৰিছিল অনুৰাগীৰ মনত। দুখীয়াৰ বন্ধু আছিল জুবিন দা, নিঃকিনজনক সততে সহায় কৰি ভাল পাইছিল। মানুহৰ মুখত হাঁহি বিৰিঙাবলৈ উদগ্ৰীৱ হৈ পৰিছিল যেতিয়া জুবিন দাৰ সমুখত থকাজনে এমুঠি অন্নৰ বাবে হাহাকাৰ কৰিছিল। ধন-অৰ্থ নিঃসংকোচে দান কৰিছিল এনে এটি মনোভাবত- হে মানৱাত্মা, তুমিও মোৰ দৰেই মানুহ। তোমাৰো আছে ভোক-পিয়াহ, তুমিও বিচৰা ভোকৰ অন্নমুঠি। এনেদৰে জুবিন দাই অনুভৱ কৰিব পাৰিছিল দুখীয়াৰ দুখ-বেদনাক, প্ৰকৃতাৰ্থত এজন হৃদয়বান ব্যক্তিসত্ত্বাৰে পৰিপূৰ্ণ শিল্পী, যিয়ে মানুহৰ চকুলোৰ মূল্য বুজে।

গীতৰ মায়াময় কণ্ঠৰ বিষয়ে কিমান লিখিম, যিটো অসম্ভৱ বুলিয়েই ক'ব পাৰি। আকাশৰ বিশালতা আৰু সাগৰৰ গভীৰতাক যিদৰে আমি জুখিব নোৱাৰোঁ ঠিক তেনেদৰে জুবিন দাৰ যাদুকৰী কণ্ঠৰ বিষয়েও লিখি শেষ কৰিব নোৱাৰিম চাগে। হেজাৰ বাৰ শুনিলেও হেঁপাহ নপলায়। অবুজ মনে নামানে জুবিন দাৰ হিয়া শাত পৰা গীতবোৰ নুশুনাকৈ থাকিবলৈ। দিনটোত এবাৰ হ'লেও শুনিবই লাগিবঃ

'পাখি পাখি এই মন
পাখি লগা মোৰ মন
পাখি মেলি যা উৰি উৰি
পাখি মেলি যা উৰি.......।'

সঁচাকৈয়ে উৰি যাবৰ মন যায় সন্দিকৈ কলেজৰ কঁকাল খামুচীয়া পৰীহঁতৰ ছন্দময়ী খোজবোৰ চাবলৈ....। পলকতে মনলৈ আহে বাৰিষাৰ বৰষুণৰ দৰে জুবিন দাৰ সেই ৰোমান্টিক গীতটো ঃ

'কঁকাল খামুচীয়া
গাল গুলপীয়া
তুমি কোন
সৰগৰ পৰী...।'

সন্ধিয়া সুবাস ল'বলৈ বিচাৰে ভৰপক যৌৱনে সেই কৃষ্ণচূড়াৰ, মানে জালুকবাৰীৰ কৃষ্ণচূড়াৰ। বিশ্ববিদ্যালয়ৰ কোনোবা মৃগনয়না ৰূপহীৰ দুগাল দেখি হিয়াৰ আমঠুৰ গীত এফাঁকি মনলৈ আহে দুৰ্বাৰ গতিতঃ

'দুগালতে যেন সোণৰ চেকুঁৰা
চকুত জিলিকি ৰয়
কিনো মৰমে হিয়া বিয়পি ৰয়
যৌৱন দেহ-মন মুখৰিত
গানে...।'

আস্
জুবিন দা আৰু নোৱাৰি থাকিব তুমি অবিহনে, কলিজাত প্ৰচণ্ড বিষ, বুকু ফাটি যায় অ'।

অসমীয়াৰ চেতনাৰ স্পন্দন হিয়াৰ আমঠুৱে যৌৱনক এক উৎসৱ হিচাপে পালন কৰিবলৈ শিকাইছিল গীতৰ মাজেৰে। হয়তো, বহুতেই প্ৰেমত পৰিছিল গীতবোৰ শুনি। মানুহক ভাল পাবলৈ শিকাইছিল, নাছিল কাৰো প্ৰতি বিদ্বেষমূলক মনোভাব। শিশুৰ দৰে এটা সুকোমল-নিস্পাপ মনৰ অধিকাৰী আছিল আমাৰ জুবিন দা। ঈৰ্ষা-হিংসা-কপটতা কি বস্তু নাজানিছিল। মানৱ প্ৰেমৰ পূজাৰী আছিল হিয়াৰ আমঠু আমাৰ জুবিন দা। আমাক-অসমক বহুতেই দি থৈ গ'ল উপহাৰ হিচাপে। আমি ঋণী জুবিন দাৰ ওচৰত, এই ঋণ কদাপি পৰিশোধ কৰিব নোৱাৰোঁ। জ্যোতি-বিষ্ণু আৰু সুধাকণ্ঠৰ পিছত আমি জুবিন দাকেই স্থান দিম। প্ৰশ্নাতীত। ইমানতেই যৱনিকা নপৰে হিয়াৰ আমঠুৰ গুণানুকীৰ্তনৰঃ

যাৰ কণ্ঠত দেৱী সৰস্বতীয়ে বাহ লৈছিল

যাৰ গীত শুনি সৰগৰ দেৱতাই পুষ্পবৃষ্টি কৰিছিল

যাৰ গীত শুনি সেউজীয়াই প্ৰাণ পাই উঠিছিল

যাৰ গীত শুনি কোনোবা ঘাটমাউৰাই জীয়াই থাকিবলৈ সাহস পাইছিল

যাৰ গীত শুনি শিশুৱে কৈছিলঃ মা অ' মা জুবিন দাৰ গীত শুনিম

যাৰ গীত শুনি চৰাই-চিৰিকটিয়ে কৈছিল ঃ জুবিন দা আৰু এটা গীত গোৱানা

যাৰ গীত শুনি নৈয়ে নীৰৱে টোপনি গৈছিল

যাৰ গীত শুনি সাগৰে উলাহতে ঢৌ তুলিছিল

যাৰ গীত শুনি বসুমতীয়ে কৈছিলঃ জুবিন তুমি কুশলে থাক

যাৰ গীত শুনি পদূলিৰ ফুলবোৰ ফুলিছিল ডাল ভৰি ভৰি

যাৰ গীত শুনি গছৰ পাতবোৰ নীৰৱ হৈ পৰিছিল....।

জুবিন দা তুমি অমৰ। তোমাক জীয়াই ৰাখিব প্ৰতিজন অসমীয়াই। তোমাক জীয়াই ৰাখিম অ' জুবিন দা। তুমি আমাৰ প্ৰাণৰো প্ৰাণৰ। অসমীয়াৰ প্ৰাণৰ স্পন্দন হিয়াৰ আমঠু তুমি জিলিকি থাকিবা আকাশৰ ধ্ৰুৱ তৰাৰ দৰেই।

**ম'বাইল ঃ ৭০০২৭-৯৭৫৪০**

# কেতিয়াও উভতি নহাৰ বাটেৰে গুচি গ'ল অসমীয়াৰ হাৰ্টথ্ৰব গণশিল্পী জুবিন গাৰ্গ

■ নাছিৰ আহমেদ

শিমলাবাৰী গোৱালপাৰা।

একেবাৰে উভতি নহাৰ বাটেৰে মাত্ৰ বাৱন্ন বছৰ বয়সতে (১৮ নৱেম্বৰ ১৯৭২-১৯ ছেপ্তেম্বৰ ২০২৫) গুচি গ'লগৈ অসমীয়াৰ হিয়াৰ আমঠু হাৰ্টথ্ৰব গণশিল্পী জুবিন গাৰ্গ।

তেওঁ গীতৰ মাজেৰে বিচৰা মতেই 'সাগৰৰ তলিত শুবৰে মন' চিংগাপুৰৰ সাগৰৰ বুকুত সাঁতুৰিবলৈ গৈ অনন্ত শয্যাত শায়িত হ'ল। তেওঁ এদিন ষ্টেজ প্ৰগ্ৰাম কৰি থাকোঁতে হাজাৰ হাজাৰ গুণমুগ্ধ অনুৰাগীৰ আগত ঘোষণা কৰিছিল যে, তেওঁ মৰাৰ পিছত যেন অসমৰ আকাশে-বতাহে তেওঁৰ গীত 'মায়াবিনী ৰাতিৰ বুকুত দেখা পালোঁ তোমাৰ ছবি, ধৰা দিলা গোপনে আহি হিয়াৰ কোণত। তুমি যে মোৰ শুকান মনত, নিয়ৰৰে চেঁচা টোপাল, নামি অহা ৰ'দৰে নৈ, মোৰ দেহত প্ৰতি পুৱা। ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন, এন্ধাৰো সঁচা মোৰ বহু দিনৰে আপোন। নিজানৰ গান শেষ হ'ব ভাবো তোমাৰ বুকুত, প্ৰতি পলে তোমাৰেই কথা কৈছে মোৰ মন।'

এতিয়া, এই গীতটি এতিয়া অসমৰ সকলো চুকে কোণে কৰুণ সুৰে বাজি আছে। পাখি মেলি উৰি গ'ল জুবিন গাৰ্গ। এটা গান শেষ হোৱাৰ পাছত আৰু এটা গান শেষ হ'ল ; যি গানত আছিল পুৱাৰ ৰ'দ-কাচলিৰ কোমল স্নিগ্ধ-সনা, সূৰ্যদীপ্ত মধ্যাহ্নৰ উদীপ্ত আভা, সন্ধ্যাৰাগৰ বিষাদগ্ৰস্ততা; জুবিন গাৰ্গৰ যাদুকৰী কণ্ঠৰ সেই মায়াবিনী সুৰ চিৰদিনৰ বাবে স্তব্ধ হৈ পৰিল। এতিয়া অসমৰ ঘৰে ঘৰে শোকৰ ছাঁ; হিয়া ঢাকুৰি কান্দিছে প্ৰতিজন অসমীয়াই। নৱপ্ৰজন্মৰ হাৰ্টথ্ৰব গণশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত শোকাভিভূত হৈছে পশ্চিমবংগৰ বাঙালী সমাজ আৰু প্ৰত্যেকজন ভাৰতীয়।

জুবিন গাৰ্গ আৰু নাই। জুবিন গাৰ্গবিহীন এটা নিস্তব্ধ প্ৰহৰ, গোমা আকাশ, উঁচুপি উঁচুপি কান্দিছে তেওঁৰ নন্দন কাননত ফুলি থকা প্ৰতিজোপা গছ। ধুমুহাৰ স'তে যুঁজ দিবলৈ এতিয়া আৰু নাই অসমীয়াৰ হৃদস্পন্দন জুবিন গাৰ্গ। এই গৰাকী অনন্য প্ৰতিভাৰ অধিকাৰী জুবিন গাৰ্গ কি নাছিল ? তেওঁ আছিল একাধাৰে কণ্ঠশিল্পী, গীতিকাৰ, সংগীত ব্যৱস্থাপক, চলচ্চিত্ৰ অভিনেতা, পৰিচালক, বাদ্যযন্ত্ৰী (কী-বৰ্ড, মিটাৰ, তবলা, মেণ্ডোলিন, দগৰ, প্যাৰকাচন আদি), কবি, সমাজ-কৰ্মী, জুবিন গাৰ্গে ৪০ টি ভাষাত প্ৰায় ৩২ হাজাৰ গীতত কণ্ঠদান কৰিছিল। তাৰ ভিতৰত অসমীয়া, বাংলা আৰু হিন্দী ভাষা উল্লেখযোগ্য।

তেওঁ উন্নৈশ বছৰ বয়সতে ১৯৯২ চনত 'অনামিকা' নামৰ প্ৰথম অসমীয়া গীতৰ এলবাম মুকলি কৰিছিল। তাৰ পিছত তেওঁ থমকি ৰোৱা নাছিল। তাৰ পিছত তেওঁ ক্ৰমে অনুৰাধা (১৯৯২), মায়া (১৯৯৪), আশা (১৯৯৫), জুবিনৰ গান (১৯৯৬), ৰং (১৯৯৬), মুক্তি (১৯৯৭), জানমণি (১৯৯৮), মেঘৰ বৰণ (১৯৯৯), পাখি (১৯৯৯), ৰাংঢালী (১৯৯৯), সপোন (১৯৯৯), হিয়ামন (২০০১), শিশু (২০০২), উৰণীয়া মন (২০০৭), ৰুমাল (২০০৮), অভিমানী মন (২০০৯), যন্ত্ৰ (২০০৪), ৰুণজুন (২০১২), কিং (২০১৫) কে আদি কৰি অসংখ্য অসমীয়া এলবাম গীত ৰচনা কৰিছিল।

এজন সংগীত পৰিচালক, গীতিকাৰ আৰু অভিনেতা হিচাপেও তেওঁ জনাজাত। জুবিন গাৰ্গে সংগীত পৰিচালনা কৰা অসমীয়া বোলছবি কেইখন হ'ল -- হিয়া দিয়া নিয়া, তুমি মোৰ মাথোঁ মোৰ, দাগ, নায়ক, প্ৰেম আৰু প্ৰেম, কন্যাদান, জীৱন নদীৰ দুটি পাৰ, জোনাকী মন, বিধাতা, প্ৰিয়া মিলন, অগ্নিসাক্ষী, জুমন সুমন, বাৰুদ, অধিনায়ক, আমি অসমীয়া, দীনবন্ধু, ৰং, মন যায়, ৰ'দৰ চিঠি, গানে কি আনে, মিছন চাইনা, প্ৰিয়াৰ প্ৰিয় ইত্যাদি।

তেওঁ ফিজা, কাঁটে, মুড্ডা, ব্ৰাইডছ ৱান্টেট, গেংষ্টাৰ, প্যাৰ কে ছাইড ইফেক্ট, গুড বয়, বেড বয়, বিগ ব্ৰাদাৰ, হমাৰী অধুৰী কাহিনী ইত্যাদি সংগীতত কণ্ঠদান কৰিছিল।

বঙালী চিনেমা 'শুধু তুমি'ৰ কাৰণে জুবিনে ২০০৫ চনত শ্ৰেষ্ঠ সংগীত বঁটা লাভ কৰিছিল। আৰু হিন্দী গীত 'য়া আলি' শীৰ্ষক গীতটিৰ বাবে তেওঁ ২০০৭ চনত গ্লোবেল ইণ্ডিয়ান ফ্লিম এৱাৰ্ড আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য সংগীত শিল্পীৰ বঁটা (পুৰুষ) লাভ কৰিছিল। জুবিন গাৰ্গৰ যাদুকৰী কণ্ঠ আৰু একৈশ শতিকাৰ আধুনিক প্ৰাচ্য আৰু পাশ্চাত্যৰ সংমিশ্ৰণত গঢ়ি তোলা সংগীত পৰিৱেশন আৰু বোলছবি নিৰ্মাণ কৰাৰ বাবে কলাকাৰ এৱাৰ্ড ২০০৮, (বেষ্ট মিউজিক এলবাম) ৫৫তম নেচনেল ফ্লিম এৱাৰ্ড (২০০৯), প্ৰাক চিনে এৱাৰ্ড (২০১১) আৰু অসমীয়া সংগীত জগতত নতুন ধাৰা সৃষ্টি কৰাৰ বাবে 'ৰেনেছাঁ অসম বঁটা, ২০১৪ আদি বিভিন্ন বঁটা-বাহনেৰে বিভূষিত হৈছিল। অসমীয়া কাব্য জগতলৈ আৰু ভ্ৰাম্যমাণ থিয়েটাৰতো তেওঁৰ অৱদান অপৰিসীম।

সাগৰৰ দৰে বিশাল আৰু গহীন, হিমালয়ৰ এভাৰেষ্ট শৃংগৰ দৰে সুউচ্চ আৰু ভূমণ্ডলৰ দৰে পৰিবেষ্টিত ড° ভূপেন হাজৰিকাৰ পিছতেই জুবিন গাৰ্গ অসমৰ উজ্বল ভোটাতৰা।

তেওঁ সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰাৰ বাবে জুবিন গাৰ্গে ২০০১ চনত গোৱা কেইবাটাও গান -যেনে - মায়াবিনী ৰাতিৰ বুকুত, দাগ মোৰ বুকুতে, লাহে লাহে, নায়ক হ'ব খুজি ইত্যাদি অসমীয়া, হিন্দী, বঙালী, কোঁচ ৰাজবংশী, বড়ো, গোৱালপৰীয়া দেশী, কমতাপুৰী, চাহ বাগানীয়া, হাজং, মিচিং, কাৰ্বি, গাৰো, ৰাভা, ডিমাচা, টাই-আহোম, নেপালী, ভোজপুৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী, ওৰিয়া, তামিল, তেলেগু, কানাড়া, মালায়ালম, মাৰাঠী, গালো আৰু ইংৰাজী ভাষাত কণ্ঠদান কৰি সকলো ভাৰতবাসীৰ হৃদয় জিনিবলৈ সক্ষম ১০ পৃষ্ঠাত

# অতি শ্ৰদ্ধাৰ, বুকুৰ আপোন জুবিন গাৰ্গলৈ একাজঁলি শ্ৰদ্ধাঞ্জলি

■ জীৱনজ্যোতি সন্দিকৈ

মই নথকাৰ অনুভৱ যিদিনা হ'ব
তোমাৰ,
সিদিনা অশ্ৰু নিগৰিবনে কোৱা......

... টোপাল টোপাল অশ্ৰু নিগৰাই সঁচাই অনুভৱ কৰিছো তুমি বিহীন প্ৰতিটো পল, প্ৰতিটো দিন। গীতৰ কথা সৃষ্টি কৰিব পৰাটো ঈশ্বৰৰ দান। সেই কথাকেই হৃদয়ৰ মাজেৰে কণ্ঠেৰে নিগৰাই প্ৰতিজনৰ মন মগজুত, হৃদয়ত কঁপনি তুলিব পৰাটো ঐশ্বৰিক শক্তি। এনে ঐশ্বৰিক শক্তিৰ অধিকাৰী হৈ তুমি আহিছিলা আমাৰ মাজলৈ অসমীয়া হৈ। এজন অসমীয়া হিচাপে কিমানবাৰ যে চিএওৰি চিএওৰি গৌৰৱেৰে কৈ গৈছো 'আমি অসমীয়া'। সাগৰ তুমি ভালপোৱা, সাগৰৰ বিশালতাৰ অনুভৱ আছিল তোমাৰ। সাগৰসম ব্যক্তিত্বৰ অধিকাৰী তুমি সংগীতৰ বিশাল জগতত। সাগৰৰ দৰে তুমি একো বিচৰা নাছিলা, কেৱল দানহে কৰিছিলা। সেয়াও তোমাৰ কাৰণে যেন যথেষ্ট নাছিল.... এতিয়া তুমি যেন স্বৰ্গ অথবা আকাশৰ পৰা বৰষিব বিচাৰিছা তোমাৰ আশীৰ্বাদ। আমি বিচাৰিম তোমাক আকাশৰ ধ্ৰুৱতৰা হৈ, বিচাৰিম তোমাক পূৰ্ণিমাৰ জোন হৈ। চিপচিপিয়া বৰষুণৰ ৰামধেনু হৈ....। সঁচাই আমি ধন্য, তুমি য'তেই আছা কুশলে থাকা।

প্ৰতি শৰতৰ প্ৰভাতি ফুলে
ক'ব তোমাকেই মোৰ কথা.......

এয়া শৰত আগমণৰ সময়। শৰতৰ প্ৰতিজোপা শেৱালি ফুলৰ নিয়ৰত সিক্ত সুবাসে মনত পেলাব তোমাৰ কথা। এতিয়াৰে পৰা তুমি থাকিবা মোৰ ফুলনিৰ প্ৰতিটোপা নিয়ৰ হৈ, প্ৰতিপাহ



ফুলৰ সুবাস হৈ। অনুভৱ কৰিম তোমাক শৰতৰ শুকুলা মেঘৰ লুকাভাকুৰ মাজত। সন্ধিয়াৰ আকাশৰ জোন, তৰাৰ মাজত। ধৰা দিবাহি তুমি মোৰ হিয়াৰ কোণত... উস... অসহ্য.... তুমি যেন মোৰ শুকাই যাব খোজা মনত ধৰা দিবাহি নিয়ৰৰ চেঁচা টোপাল হৈ...।

# কিমান কান্দিম আৰু....

■ চন্দ্ৰ শেখৰ পৰাজুলী
বিশ্বনাথ চাৰিআলি

**গো**টেই বিশ্বৰ ভিতৰতে চতুৰ্থ সৰ্ব বৃহৎ জুবিন দাদাৰ শেষযাত্ৰাৰ সহভাগি হৈ এক অনন্য বিশ্ব অভিলেখ গঢ়িলে। জুবিন দাদাৰ অনুৰাগীসকলৰ মাজত কেৱল এক কৌতূহল। কেনেকৈ ইমান অতি সোনকালে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে চিৰবিদায় ক'বলৈ বাধ্য কৰালে নিয়তিয়ে। নিয়তিৰ ন্যায়িক ব্যৱস্থাবোৰ সচাঁকৈ বৰ নিষ্ঠুৰ নেকি? যোৱা ১৯ ছেপ্টেম্বৰৰ পৰা কেৱল মাথোঁ উজাগৰে আছে অসম তথা গোটেই বিশ্ববাসী। আকাশে,বতাহে চৌদিশে কেৱল মাথোঁ বাজি আছে আপোনাৰে এক অন্যতম প্ৰিয় সৃষ্টি 'মায়াবিনী ৰাতিৰ বুকুত......'। জুবিন দাদা আপুনিতো অসুস্থ দেহাৰ প্ৰতিও অকনমানো খাতিৰ নকৰাকৈ সাগৰ তলিত শুই থাকিল। আচলতে আপোনাৰ ব্যক্তিত্বয়ে আমি সকলোবোৰ মানুহতকৈ বহু পৃথক। নিৰ্ভিক,আৰু স্পষ্টবাদী ব্যক্তিত্বৰ অধিকাৰী আছিল আপুনি। তথাপিও অকনমান আপোনাৰ প্ৰিয়জনৰ কথাবোৰ ভাবি আপুনি যদি নিজকে কিছু সংযম কৰি ৰাখিলেহেঁতেন? হয়তো আজি আপোনাক আমাৰ মাজত এক জীৱিত সত্তৰ ৰূপত আৰু কিছুদিনৰ বাবে হ'লেও এক অন্যান্য অনুষ্ঠানৰ ৰূপত পূজিত কৰি ৰাখিবলৈ যত্ন কৰিলোঁ হয়। দাদা আপোনাক জীৱিত অৱস্থাত আমি বিশ্ববাসীয়ে আপোনাক যিমান মান, মৰ্যাদা, সন্মান, আদৰ, মৰম আদি প্ৰদান কৰি যাব লাগিছিল হয়তো তাৰ পৰা আপুনি সদায় বঞ্চিত হৈ ৰ'ল যেন মোৰ অনুভৱ হয়। তথাপিও ইয়াৰ পৰৱৰ্তী পৰ্যায়ত মই অসম তথা বিশ্ববাসীলৈ এক অনুৰোধ জুবিন দাদাৰ মৃত্যুৰ নামত আৰু কোনেও যাতে ক'তো ৰাজনীতি কৰিবলৈ ওলাই অহা দেখা নাপাওঁ। কাৰণ জুবিন দাদা আমাৰ বাবে কিমান অমূল্য সম্পদ আছিল আজি তেওঁৰ মৃত্যুৰ সময়ত গোটেই বিশ্ববাসী উপলব্ধি কৰিবলৈ বাধ্য হৈছে। এজন সাধাৰণ মানুহে কেৱল মাত্ৰ ৫২ বছৰৰ ভিতৰত ৩৮ হেজাৰতকৈ অধিক গানত সুৰ প্ৰদান কৰা ইয়ো এক অন্যতম অভিলেখ। জুবিন দাদায়ে অসম তথা বিশ্ববাসীৰ বাবে বহু অন্যান্য উপহাৰ সমূহ দি থৈ গ'ল। যিবোৰ হয়তো চিৰযুগমীয়া হৈ প্ৰতিটো মানুহৰ অন্তৰে অন্তৰে সদায় বাজি থাকিব। কিন্তু জুবিন দাদাক আমি জীৱন কালত উচিত মৰ্যাদা প্ৰদানৰ পৰা সচাঁকৈ বঞ্চিত কৰি ৰাখিলোঁ নেকি বাৰু? দাদা কিমান কান্দিম আৰু...। আমাৰ চকুৰ টোপালবোৰত আপোনাৰে ছবি ভাঁহি আছে মাথোঁ। বিদায় জুবিন দা বুলি কওঁতো কওঁ কেনেকৈ? শব্দ যদি থাকিলে হয় নিশ্চয় লিখি পেলালোঁ হয় দাদাৰ শেষ শয্যাৰ গান। কিন্তু গানবোৰ আজি নিজেই গানৰ মাজত আৱদ্ধ। আৰু কোন বা আহিব, আহিব নে নাহে এই আই মাতৃ অসমত আবদ্ধ গানবোৰক পুনৰ এবাৰ প্ৰাণ প্ৰদান কৰিবলৈ?

**ম'বাইল ঃ** ৯৭০৭৩-০৬৪৭৪

# হিয়াৰ আমঠু জুবিন গাৰ্গে জীৱন জীনাৰ গান গাইছিল

**ৰমেন ভৰালী, বংশৰ ঃ** অসমীয়া জাতিৰ অমূল্য সম্পদ, হিয়াৰ আমঠু, সংগীত শিল্পী, বোলছবি পৰিচালক, বোলছবি প্ৰযোজক, অভিনেতা, সমন্বয়ৰ সাঁকো গঢ়োতা, মৰমৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক দেহাৱসানত সঁচাকৈয়ে মৰ্মাহত হৈছোঁ। ১৯৯০ চনত আমি যেতিয়া বি বৰুৱা মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীৰ ছাত্ৰ, জুবিন গাৰ্গও তেতিয়া বি বৰুৱা মহাবিদ্যালয়ৰে ছাত্ৰ। আমি অসমীয়া বিভাগৰ প্ৰধান বিষয়ৰ ছাত্ৰ আছিলোঁ। সেয়ে জুবিনৰ লগত ঘনিষ্ঠ সম্পৰ্ক নাছিল যদিও জুবিনক তেতিয়াই এগৰাকী শিল্পী হিচাপে জানিছিলো আৰু সাংস্কৃতিক অনুষ্ঠান সমুহত সংগীতৰ সৈতে সংপৃক্ত হোৱা দেখিবলৈ পাইছিলো। আমিও বি বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি অহাৰ পিছৰেপৰাই জুবিন গাৰ্গক এগৰাকী সংগীত শিল্পী হিচাপে অসমৰ বুকুত দেখিবলৈ পাইছিলো আৰু আমাৰ চকুৰ সন্মূখতে জুবিন গাৰ্গ অসমীয়া জাতিৰ অমূল্য সম্পদ, হিয়াৰ আমঠু, সমন্বয়ৰ সাঁকো গঢ়োতা, মৰমৰ শিল্পী হিচাপে পৰিচয় লাভ কৰিছিল। ১৯৯৩ চনৰ পিছত জুবিনে পিছলৈ ফিৰি চাব লগীয়া হোৱা নাই। নিজৰ কৰ্মৰে জুবিন গাৰ্গে আজিলৈ প্ৰায় ৪৪ হাজাৰ সংগীতত কণ্ঠদান কৰিছে আৰু ৩৮ টা ভাষাত সংগীত পৰিৱেশন কৰিছে, তদুপৰি একেদিনাহ ৩৬ টা সংগীতত ৰেকৰ্ডিং কৰিছে ই সঁচাকৈয়ে এক অভিলেখ। জুবিন গাৰ্গ এগৰাকী সংস্কৃতিবান, মানৱদৰদী শিল্পী আছিল। দুখীয়া মানুহক সহায় কৰি ভাল পাইছিল। জুবিনৰ প্ৰতিটো গানত সুখ দুখৰ, হাঁহি ধেমালিৰে জীৱন জীনা গান গাইছিল। সহস্ৰজনৰ বাবে সংগীত পৰিৱেশন কৰি, দৰিদ্ৰজনৰ ভগৱান, সমাজৰ হকে থকা, মানৱীপুৰুষজন আজি ক্লান্ত, ভাগৰুৱা, আজি তেওঁ শুই পৰিছে, টোপনিৰ অনন্ত শয্যাত। হে বন্ধু তোমাক প্ৰণাম। তুমি আকৌ আহিবা বন্ধু এগৰাকী সংগীত শিল্পী হৈ, এটি সুৰ হৈ, এটি গান হৈ, সমন্বয়ৰ সাঁকো গঢ়িবলৈ
ঐক্যৰ প্ৰতীক হৈ। তোমাক প্ৰণাম বন্ধু।

# পূব বংশত মম-বাতি জ্বলাই পদযাত্ৰাৰে জুবিনক শ্ৰদ্ধাঞ্জলি

**ৰমেন ভৰালী, বংশৰ ঃ** অসমৰ নতুন প্ৰজন্মৰ হাৰ্টথ্ৰ'ব, অসমীয়া জাতিৰ অমূল্য সম্পদ, হিয়াৰ আমঠু মৰমৰ সংগীত শিল্পী, বোলছবি নিৰ্মাতা, পৰিচালক জুবিন গাৰ্গৰ আকস্মিক বিয়োগত দদৰা, শিঙিমাৰী,বৃহত্তৰ বংশৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। মৰমৰ শিল্পী গৰাকীৰ মৃত্যুত শোকত ম্ৰিয়মাণ হৈ দদৰা, শিঙিমাৰী, পছৰীয়া, বৃহত্তৰ বংশৰ অঞ্চলৰ ৰাইজে যোৱা দুদিন ধৰি সকলো ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ স্বত:স্ফুৰ্তভাৱে বন্ধ পালন কৰে। বৃহত্তৰ পূব বংশৰ অঞ্চলৰ প্ৰতি চ'কত, প্ৰতিটো অনুষ্ঠানত জুবিনৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে মৌন সমদল উলিয়ায়। অসমীয়া জাতিৰ হৃদস্পন্দন, হিয়াৰ আমঠু মৰমৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত সদৌ বংশৰ ৰঙালী বিহু সন্মিলন, সদৌ বংশৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থা, বংশৰ তিনিআলি ব্যৱসায় সন্থা, বৃহত্তৰ বংশৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, বিভিন্ন বিদ্যালয়, সত্ৰ, নামঘৰ, মন্দিৰ, বিভিন্ন ব্যৱসায় চ'কসমূহত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। ইফালে পূব বংশৰ অঞ্চলৰ দদৰা, শিঙিমাৰী, পছৰীয়া আদি অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানসমূহতো জুবিনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৃহত্তৰ পূব বংশৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত হাজাৰ হাজাৰ জনতা ওলাই আহি মম-বাতি জ্বলাই লৈ পদযাত্ৰাৰে জুবিনৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

# ডিব্ৰুগড় ২ নং টেকেলা চিৰিং গাঁও নামঘৰ ভকত-আইৰ জুবিনলৈ শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুত মৰ্মাহত সমগ্ৰ ৰাজ্যবাসী। ডিব্ৰুগড়তো চিৰিংচাপৰি বিশ্ববিদ্যালয় সংযোগীপথস্থিত ২ নং টেকেলা চিৰিং গাঁৱৰ নামঘৰ ভকত-আইসকলে প্ৰয়াত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জুবিনলৈ শ্ৰদ্ধাঞ্জলি জনাই উচুপি উঠিল নামঘৰ আইসকল। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ঘোষা প্ৰাৰ্থনা জনাই আত্মাৰ সদ্গতি কামনা কৰি ভগৱানৰ শ্ৰীচৰণলৈ ভক্তি প্ৰাৰ্থনা জনায় আই ভকতে। আনহাতে জুবিনৰ অনুৰাগীসকলে সমস্বৰে গালে জুবিন গাৰ্গৰ জনপ্ৰিয় গীত 'মায়াবিনী ৰাতিৰ বুকুত'। অশ্ৰুসিক্ত নয়নেৰে শিল্পী গৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰায় সহস্ৰাধিক জুবিন অনুৰাগীয়ে। জুবিন গাৰ্গৰ আত্মাৰ সদ্গতি কামনা কৰি জুবিনৰ প্ৰতিছবিত পুস্পাঞ্জলি জ্ঞাপন কৰি শেষ শ্ৰদ্ধাৰে একমিনিট সময় মৌণ প্ৰাৰ্থনা কৰে। নামঘৰ মেধি চুচেন চন্দ্ৰ বৰাই ভক্তি মংগ বাক্য এফাঁকিৰে বন্তি প্ৰজ্বলন কৰে।

# মায়াবিনী ৰাতিৰ বুকুত তোমাৰ স্মৃতি

কংকনা বৰুৱা

মায়াবিনী ৰাতিৰ বুকুত
তোমাৰ ছবিখন স্মৃতি হৈ পৰিল
জুবিন দা
আকাশক গাঁত ল'বলৈ
মন থকা মানুহজনে
লুইতৰ বুকুক এৰি
সাগৰৰ বুকুত
চিৰদিনৰ বাবে
শুই যাব বুলি ভবা নাছিলোঁ।
সেয়া ভবাটো কল্পনাতীত
বিদেশী সাগৰৰ ঢৌবোৰে
অসম আইৰ হিয়াৰ আমঠুক
হয়তো চিনি নাপালে।
'মন যায়'
মোৰো মন যায়
জুবিন দা
পৰা হ'লে তোমাক
লুইতেদি ভটিয়াই গৈ
সাগৰৰ বুকুৰ পৰা
ভিক্ষা মাগী আনিলো হয়।
তুমি শুধিছিলা
তুমি যেতিয়া নিজানত বহা
তোমাৰ ছবিয়ে দোলা দিয়ে নে?
প্ৰতিজন অসমীয়াৰ হৃদয়ত
তোমাৰ ছবি আজি অংকিত।
একবিংশ শতিকাৰ প্ৰেম কাহিনীটোত
আজি আধৰুৱা
ৰুমালৰ ভাজে ভাজে কেৱল দুখৰ
বিননি
কাণত উজৰি উঠিছে।
মতলীয়া বতাহ জাকো আজি যেন
মতলীয়া নহয়।
ধুমুহাৰ সৈতে তোমাৰ
বহু যুগৰ আছিল নাচোন।
আজি যেন ধুমুহা জাকো
নিস্তব্ধ।
আজি চাৰিওফালে অন্ধকাৰ
ৰ'দ আজি কেনি পাওঁ
জুবিন দা।
এজাক বৰষুণে তোমাক ধুই
থৈ যোৱা বৰষুণ জাক,
আজি অকলশৰীয়া।
বগা কৈ বগলীজনী
বহলাই আজি বহিব পৰা নাই।
তুমি যেন এতিয়া এটি পপীয়া তৰা
আকাশত বোৱতী নৈ।
অনুৰাধা আজি অকলশৰীয়া
ৰুণ জুন নূপূৰ জোৰ কোঠাৰ এটি
কোণত
পৰি ৰ'ল।
মেঘালী চুলি তাৰীত
আজি খুলিব পৰা নাই।
দাদা ভন্টিৰ কাজিয়খনো
আজি দেখোন নাই
দাদা মানি বেগত কোন সেইজনী,
বুলিও শুধিব পৰা নাই
'তাই উল গুঠিব জনেনে'
বুলিও বৌয়েকে শুধিব পৰা নাই।
'দেশখন গ'ল ৰসাতলে'
ৰাজনীতি নাৰাখি
ৰাইজৰ হৈ কোনে মাতিব
জুবিন দা।
'বুঢ়ী আইৰ জুহালত চকুলো শুকাই
দেউতাৰো একে দখা পদূলি লৈ চাই'
অসমী আই ৰৈ আছে
তুমি অহা বাটলৈ চাই।
যা যা আঁতৰি যা এপলক নৰবি তই
বুলি কৈ
আমাক এবাৰ শেষ বিদাই দিবলৈ
এপলকো নৰলা।
নিজানত শেষ হৈ গ'লা।
তুমি কৈছিলা
মাজুলীত এজনী ছোৱালীয়ে দুখ পালে
আজি সমগ্ৰ মাজুলীয়ে শোকস্তব্ধ
আমিও নিবিচাৰোঁ
"Bina tere na ek pal ho
Na bin tere kal ho"
জীৱনৰ ৰংবোৰে লোকাভাকু খেলিছে
দেহৰ ভৰসা নাই বুজিছা নে নাই
আজি হাঁহি আছে ক'বতো নোৱাৰোঁ
কালি বা কি আছে কপালতে
কিন্তু তুমি বিহীন কালি আমাক
নালাগিছিল।
'মৃত্যু এতিয়া সহজ'
মৃত্যু ইমান ও সহজ নহয়
লাখ লাখজনৰ চকুপানী
আৰু এটা যুগৰ অৱসান।
তোমাৰ কথাই আমনি কৰিব।
'উজনিৰ ৰে'লখনি বুকুতে চলিছে'
'নামনিৰ ধুমুহাবোৰ বুকুতে বলিছে'
আজি উজনিৰ পৰা নামনিলৈ
কেৱল এটিয়েই নাম
'জুবিন গাৰ্গ'
আৰু কেৱল চকুপানী।

শাৰদীয় দূৰ্গা পূজাৰ শুভেচ্ছাৰে...
PANCHARATNA FINANCE & INVESTMENT LTD.
Regd. No : 02-02373
Regd. Office :
A.T. Road, Guwahati-1
Phone- 2518622
Corporate Office :
A.D.P. Road
Nagaon- 782001 (Assam)
Phone- 255754
Email : pancharatna85@gmail.com
সন্মান সহকাৰে আপোনাক জনাও যে নগাঁও আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত "অসম প্ৰৱাহ" কাকত খনলৈ "পঞ্চৰত্ন ফিনান্স এণ্ড ইনভেষ্টমেন্ট লিমিটেড" ৰ ফালৰ পৰা শাৰদীয় দূৰ্গা পূজাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।
পঞ্চৰত্ন এটি ৰিচিউডেৰি নন বেংকিং প্ৰতিষ্ঠান "পঞ্চৰত্নৰ" মাধ্যমেৰে সঞ্চয় কৰক আপোনাৰ ভৱিষ্যত গঢ়ি তোলক।

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

অসম চৰকাৰ



# সবল মহিলা সবল সমাজ

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

■ উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ আত্মসহায়ক গোটৰ প্ৰতিগৰাকী অৰ্হতাসম্পন্ন মহিলালৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ যোগেদি

₹ ১০,০০০ টকাৰ

উদ্যমিতা পুঁজি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

সামৰি লোৱা মুঠ মহিলা উদ্যমী | প্ৰায় ৩০ লাখ

উদ্যমিতাৰ সম্ভাব্য ক্ষেত্ৰসমূহ: কৃষি, পশুপালন, বয়নশিল্প, হস্তশিল্প ইত্যাদি

সৰ্বমুঠ পুঁজি ৩০০০ কোটি টকা

অসমৰ মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ ১ এপ্ৰিল তাৰিখে বিহালী সমষ্টিত আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভণি কৰে

## সমষ্টি অনুসৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ সূচী

| ক্ৰমিক নং | বিধান সভা সমষ্টিৰ নং আৰু নাম | মাহ |
|---|---|---|
| ১ | ৩৯ নং নলবাৰী | আগষ্ট ২০২৫ |
| ২ | ৫২ নং জাগীৰোড | |
| ৩ | ১২৫ নং পাথাৰকান্দি | |
| ৪ | ৮৩ নং মাৰ্ঘেৰিটা | |
| ৫ | ৮ নং ধুবুৰী | |
| ৬ | ১১৮ নং শিলচৰ | ছেপ্টেম্বৰ ২০২৫ |
| ৭ | ১১৪ নং লক্ষীপুৰ | |
| ৮ | ৩৭ নং জালুকবাৰী | |
| ৯ | ৬৩ নং হোজাই | |
| ১০ | ৬৫ নং ঢেকিয়াজুলি | |
| ১১ | ৭০ নং বিশ্বনাথ | |
| ১২ | ৮০ নং জোনাই | |
| ১৩ | ৮৬ নং তিনিচুকীয়া | |
| ১৪ | ১১১ নং ৰংখাং | |
| ১৫ | ৫৩ নং লাহৰিঘাট | |
| ১৬ | ৭ নং গৌৰীপুৰ | |
| ১৭ | ১১ নং মানকাচৰ | |
| ১৮ | ৩৪ নং ডিমৰীয়া | অক্টোবৰ ২০২৫ |
| ১৯ | ৩৫ নং নিউ গুৱাহাটী | |
| ২০ | ১২১ নং হাইলাকান্দি | |
| ২১ | ১২৬ নং আৰ কে নগৰ | |
| ২২ | ২৮ নং বকো-ছয়গাঁও | |
| ২৩ | ৩১ নং ৰঙিয়া | |
| ২৪ | ৩২ নং কমলপুৰ | |
| ২৫ | ১৮ নং বঙাইগাঁও | |
| ২৬ | ৫৪ নং মৰিগাঁও | |
| ২৭ | ৫৭ নং কলিয়াবৰ | |
| ২৮ | ৫৯ নং বঢ়মপুৰ | |
| ২৯ | ৬০ নং নগাঁও-বটদ্ৰৱা | |
| ৩০ | ৬১ নং ৰহা | |
| ৩১ | ৬৪ নং লামডিং | |
| ৩২ | ৬৯ নং নদুৱাৰ | |
| ৩৩ | ৮১ নং শদিয়া | |
| ৩৪ | ৮২ নং ডুমডুমা | |
| ৩৫ | ৮৭ নং চাবুৱা-লাহোৱাল | |
| ৩৬ | ৮৮ নং ডিব্ৰুগড় | |
| ৩৭ | ১২ নং জলেশ্বৰ | |
| ৩৮ | ২৫ নং পাকাবেটবাৰী | |
| ৩৯ | ২৭ নং চমৰীয়া | |
| ৪০ | ৫৫ নং ধিং | |
| ৪১ | ৯ নং বীৰছিং জাৰুৱা | |
| ৪২ | ১০৪ নং দেৰগাঁও | নৱেম্বৰ ২০২৫ |
| ৪৩ | ১০৫ নং বোকাখাত | |
| ৪৪ | ১০৭ নং সৰুপথাৰ | |
| ৪৫ | ১০৩ নং গোলাঘাট | |
| ৪৬ | ১০৮ নং বোকাজান | |
| ৪৭ | ১০৯ নং হাওৰাঘাট | |
| ৪৮ | ১১৩ নং হাফলং | |
| ৪৯ | ১১৫ নং উধাৰবন্দ | |
| ৫০ | ১২০ নং ধলাই | |
| ৫১ | ২৬ নং বজালী | |
| ৫২ | ৪০ নং টিহু | |
| ৫৩ | ৪৯ নং ছিপাঝাৰ | |
| ৫৪ | ৫০ নং মঙলদৈ | |
| ৫৫ | ৬৬ নং বৰছলা | |
| ৫৬ | ৬৮ নং ৰঙাপৰা | |
| ৫৭ | ৭২ নং গহপুৰ | |
| ৫৮ | ৩৬ নং গুৱাহাটী (কেন্দ্ৰীয়) | |
| ৫৯ | ৬ নং গোলকগঞ্জ | |
| ৬০ | ৭৭ নং ঢকুৱাখনা | |
| ৬১ | ৭৮ নং ধেমাজি | |
| ৬২ | ৭৯ নং চিচিবৰগাঁও | |
| ৬৩ | ৮৫ নং মাকুম | |
| ৬৪ | ৯০ নং দুলীয়াজান | |
| ৬৫ | ১ নং গোসাঁইগাঁও | |
| ৬৬ | ১৭ নং সৃজনগ্ৰাম | |
| ৬৭ | ২২ নং মান্দিয়া | |
| ৬৮ | ৬২ নং বিন্নাকান্দি | |
| ৬৯ | ৫৮ নং চামগুৰি | |
| ৭০ | ১০৬ নং খুমটাই | ডিচেম্বৰ ২০২৫ |
| ৭১ | ১১৬ নং কাটিগড়া | |
| ৭২ | ১১৭ নং বৰখলা | |
| ৭৩ | ১৩ নং পশ্চিম গোৱালপাৰা | |
| ৭৪ | ১৫ নং দুধনৈ | |
| ৭৫ | ১৬ নং অভয়াপুৰী | |
| ৭৬ | ২০ নং বিজনী | |
| ৭৭ | ২১ নং ভৱানীপুৰ-সৰভোগ | |
| ৭৮ | ২৪ নং বৰপেটা | |
| ৭৯ | ৩৩ নং দিছপুৰ | |
| ৮০ | ৩৮ নং বৰক্ষেত্ৰী | |
| ৮১ | ৪১ নং মানস | |
| ৮২ | ৪৩ নং তামুলপুৰ | |
| ৮৩ | ৪৪ নং গোৰেশ্বৰ | |
| ৮৪ | ৪৫ নং ভেৰগাঁও | ডিচেম্বৰ ২০২৫ |
| ৮৫ | ৪৭ নং মাজবাট | |
| ৮৬ | ৪৮ নং টংলা | |
| ৮৭ | ৬৭ নং তেজপুৰ | |
| ৮৮ | ৭৩ নং বিহপুৰীয়া | |
| ৮৯ | ৭৬ নং লখিমপুৰ | |
| ৯০ | ৯১ নং টিংখাং | |
| ৯১ | ৯৮ নং মাজুলী | |
| ৯২ | ১০০ নং যোৰহাট | |
| ৯৩ | ১০১ নং মৰিয়নি | |
| ৯৪ | ১২৪ নং দক্ষিণ কৰিমগঞ্জ | |
| ৯৫ | ২৩ নং চেঙা | |
| ৯৬ | ৫৬ নং ৰূপহীহাট | |
| ৯৭ | ১১৯ নং সোণাই | |
| ৯৮ | ১০২ নং তিতাবৰ | জানুৱাৰী ২০২৬ |
| ৯৯ | ৯৯ নং টীয়ক | |
| ১০০ | ৯৩ নং সোণাৰি | |
| ১০১ | ৯৪ নং মাহমৰা | |
| ১০২ | ৯৫ নং ডিমৌ | |
| ১০৩ | ৯৬ নং শিৱসাগৰ | |
| ১০৪ | ৯৭ নং নাজিৰা | |
| ১০৫ | ৮৯ নং খোৱাং | |
| ১০৬ | ৯২ নং নাহৰকটীয়া | |
| ১০৭ | ৮৪ নং ডিগবৈ | |
| ১০৮ | ৭৪ নং ৰঙানদী | |
| ১০৯ | ৭৫ নং নাওবৈচা | |
| ১১০ | ৪২ নং বাক্সা | |
| ১১১ | ৪৬ নং ওদালগুৰি | |
| ১১২ | ১৯ নং ছিদলী-চিৰাং | |
| ১১৩ | ৪ নং বাওখুংগ্ৰী | |
| ১১৪ | ২ নং দতমা | |
| ১১৫ | ১১০ নং ডিফু | |
| ১১৬ | ১১২ নং আম্ৰী | |
| ১১৭ | ৩০ নং হাজো-শুৱালকুছি | |
| ১১৮ | ১২৩ নং উত্তৰ কৰিমগঞ্জ | |
| ১১৯ | ২৯ নং পলাশবাৰী | |
| ১২০ | ১০ নং বিলাসীপাৰা | |
| ১২১ | ৩ নং কোকৰাঝাৰ | |
| ১২২ | ৫ নং পৰ্বতঝৰা | |
| ১২৩ | ১৪ নং পূব গোৱালপাৰা | |
| ১২৪ | ১২২ নং আলগাপুৰ-কাটলিচেৰা | |
| ১২৫ | ৫১ নং দলগাঁও | |

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 2212/25/26-September-25

# জুবিন গাৰ্গ ঃ অসমীয়া জাতিৰ এক সত্তা

■ **জুৰিমণি মুদৈ,** ৰহা

**অ**প্ৰত্যাশিতভাৱে খবৰটো আহিছিল। বিশ্বাস কৰিব নোৱাৰা এটি দুঃসংবাদ। লগে লগে স্তব্ধ হৈ পৰিছিল গাঁও কি চহৰৰ সকলো অঞ্চল। ময়ে নহয়, সমগ্ৰ অসমবাসীয়ে স্তব্ধ হৈ পৰিছিল। শোকত ভাঙি পৰিছিল প্ৰতিজন অসমীয়া, জুবিন গাৰ্গৰ বিৰহত সকলোতেই কেৱল কান্দোনৰ ৰোল। সকলোৰে ল'ৰি আহিছে শেষবাৰৰ বাবে প্ৰিয় গায়কজনক এবাৰ চোৱাৰ হেঁপাহত। অসমীয়া জাতিৰ এটি সত্তা, অসমীয়াৰ হৃদয়ৰ মণি, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব, জুবিন গাৰ্গ আমাৰ মাজৰ পৰা গুচি গ'ল অসমীয়া জাতিক, অসমীয়া সংগীত জগতত এবোজা ব'ব নোৱৰা শোকৰ বোজা জাপি দি কোনো দিনে উভতি নহাৰ বাটেৰে। কথাষাৰ যেন কোনোৱে মানি ল'ব নিবিচাৰে। কেনেকৈনো মানি ল'ব? জুবিন গাৰ্গ আছিল অসমীয়া জাতিৰ এক সত্তা, সংগীত জগতৰ এটি উজ্বল নক্ষত্ৰ। অসমৰ আকাশৰপৰা খহি পৰিল সেই উজ্জ্বল নক্ষত্ৰটি। যাৰ দৰদী কণ্ঠই দৰ্শক, শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰিব পাৰিছিল। যাৰ অমৃত কণ্ঠই দিব পাৰিছিল ল'ৰাৰপৰা বৃদ্ধলৈকে সংগীতৰ অমৃত ৰস। জুবিন গাৰ্গ এনে এটি সত্তা, যিজনে অতি কম সময়তে তেওঁৰ অম্লান প্ৰতিভাৰ দ্বাৰা ৪০ টা ভাষাত ৩৮ হাজাৰো অধিক গীতত কণ্ঠদান কৰি এক ইতিহাস ৰচনা কৰিছিল। জুবিন গাৰ্গ এনে এটি সত্তা, যিজনে অসমীয়া চলচ্চিত্ৰ জগতখনক এটি উদ্যোগলৈ ৰূপান্তৰিত কৰাৰ এক সপোন পুহি ৰাখিছিল। সেই সপোনক বাস্তৱ ৰূপ দিবৰ বাবে তেখেতে অভিনয় কৰাৰ লগতে চলচ্চিত্ৰ নিৰ্মাণৰ কামতো হাত দিছিল। কোনটো দিশত দখল নাছিল জুবিন গাৰ্গৰ। জুবিন গাৰ্গ আছিল একেধাৰে গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, সংগীত পৰিচালক, বাদ্যযন্ত্ৰ শিল্পী, অভিনেতা, সংগীত পৰিচালক। বহুমুখী প্ৰতিভাৰ অধিকাৰী জুবিন গাৰ্গ আছিল এগৰাকী সঁচা মানৱতাবাদী শিল্পী। যিজনে নিজতকৈ সদায় আনৰ বাবে চিন্তা কৰে, সমাজৰ বাবে, মানুহৰ বাবে চিন্তা কৰে। 'মানুহে মানুহৰ বাবে' কথাষাৰি জুবিন গাৰ্গৰ ক্ষেত্ৰত সাৰ্থকৰূপে প্ৰযোজ্য হোৱা দেখা যায়। সেয়ে মানুহৰ দুখ-কষ্ট দেখিলে তেওঁৰ অন্তৰে কান্দি উঠে, অসহায়জনক আৰু আৰ্তজনক সহায় নকৰাকৈ থকা নাছিল। কেৱল মানুহৰ ক্ষেত্ৰতেই নহয়, সকলো জীৱ-জন্তুকেই তেওঁ নিজৰ সন্তানৰ দৰে মৰম কৰিছিল আৰু নিজেই আবদাৰ কৰিছিল। অকল সেয়াই নহয়, প্ৰকৃতিপ্ৰেমী জুবিন গাৰ্গে প্ৰকৃতি সুৰক্ষাৰ বাবে নিজৰ ষ্টুডিঅ'লৈকে গছ-গছনি ৰুই পৰিৱেশ প্ৰদূষণৰপৰাও মুক্ত কৰিবলৈ চেষ্টা কৰিছিল। এগৰাকী নিৰ্ভীক আৰু স্পষ্টবাদী জুবিন গাৰ্গে অসমৰ বিভিন্ন জলন্ত সমস্যাৰাজিৰ সমাধানৰ অৰ্থে নিৰ্ভীকভাৱে আৰু স্পষ্টভাৱে মাত মাতি আহিছিল। তেওঁ কাকো খাটিৰ কৰা নাছিল। এনেবোৰ বহু প্ৰতিভাৰ অধিকাৰী, বহু গুণৰ অধিকাৰী, মানৱাতাবাদী জুবিন গাৰ্গে গোটেই জীৱন সংগীত সাধনা কৰি ৩৮ হাজাৰো অধিক গীত অসমীয়া জাতিক উপহাৰ দি, তেখেতৰ অমৃত কণ্ঠেৰে অসমীয়া জাতিক সমৃদ্ধ কৰি যোৱা যুৱ প্ৰজন্মৰ হৃদয়ৰ স্পন্দন হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুক সেয়ে কোনো অসমীয়াই যেন মানি ল'ব পৰা নাই। এটি যুগৰ অৱসান ঘটিল। তেখেতৰ অম্লান প্ৰতিভাৰ জ্যোতিয়ে অসমীয়া সাংস্কৃতিক জগতখনক আলোকিত কৰি তুলিছিল। ড° ভূপেন হাজৰিকাদেৱৰ পিছতেই জুবিন গাৰ্গক অসমীয়া জাতিয়ে কাষতেই পাইছিল, জুবিন গাৰ্গৰ মাজতেই অসমীয়াই ভূপেন হাজৰিকাদেৱক বিচাৰি পাইছিল। কিন্তু কোটি কোটি গুণমুগ্ধ অনুৰাগীক শোক সাগৰত এৰি, হৃদয়ত শোকৰ অগনি জ্বলাই অসমীয়াৰ হৃদয়ৰ মণি, যুৱ



প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ গুচি গ'ল অজান মূলুকলৈ কোনো দিনে উভতি নহাৰ বাটেৰে। সংগীত জগতত আৰু হয়তো অনেক শিল্পীৰ আগমন ঘটিব, কিন্তু জুবিন গাৰ্গৰ দৰে এগৰাকী মানৱতাবাদী, সঁচা শিল্পী আমি হয়তো কেতিয়াও বিচাৰি নাপাম। সাগৰৰ তলিত শুব বিচৰা জুবিন গাৰ্গে সঁচাকৈয়ে সাগৰৰ বুকুত অন্তিম শয়ন কৰিলে, চিৰনিদ্ৰাত ঢলি পৰিল সাগৰৰ গভীৰতাত।

কিন্তু আজি প্ৰতিজন অসমীয়াৰ এটাই প্ৰশ্ন- জুবিন গাৰ্গৰ অসুস্থতাৰ কথা জানিও কিয় নৰ্থ ইষ্ট ফেষ্টিভেললৈ পঠোৱা হ'ল? 'মৃগী' দৰে এটি অসুখ থকাৰ পিছতো কোনটো যুক্তিত তেওঁক নৰ্থ ইষ্ট ফেষ্টিভেলত পঠোৱা হ'ল? ইয়াৰ উচিত তদন্ত হ'ব লাগে। আজি প্ৰতিজন অসমীয়াই বিচাৰিছে ইয়াৰ উচিত তদন্ত। জুবিনদা কায়িকভাৱে আজি আমাৰ মাজত নাই, কিন্তু তেখেতৰ গীতৰ মাজত আমি তেখেতক বিচাৰি পাম। যেতিয়ালৈকে সংগীত থাকিব, তেতিয়ালৈকে জুবিন গাৰ্গও আমাৰ মাজত জীয়াই থাকিব। অমৰ হৈ ৰওক অসমীয়া জাতিৰ সত্তা, অসমীয়াৰ হিয়াৰ আঁমঠু জুবিন গাৰ্গ।

**ম'বাইল ঃ** ৯৩৯৫০-৫২১৭৯

শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছাৰে...
Nilim Ranjan Gogoi
Managing Director
JASINGFAA AQUA TOURISM RESORT
MAHRUL, DIMORUGURI, NAGAON : ASSAM
Email : jasingfaanagaon@gmail.com
Contact No : 8724973368 / 7002801387

## খহি পৰিল সূৰ্যটো

■ **হেৰম্ব নাথ**

অসহ্য বেদনা
বুকু ফাটি যায়
হিয়াৰ আমঠুৰ আকস্মিক মৃত্যু
নাই নাই নাই
আমাৰ জুবিন দা জীয়াই আছে
আজি নিশা আকাশত
নোলাই জোনবাই
তৰাবোৰে ৰাউচি জুৰিব
জোনবাইৰ সান্ত্বনাক নেউচি
সাগৰৰ পানীবোৰ নিস্তেজ হৈ পৰিল
নদীয়ে পাহৰি গৈছে
পানী ক'ত পানী ক'ত বুলি
চৰাই-চিৰিকটিয়ে উচুপিচে
আমাৰ জুবিন দা
আমাৰ জুবিন দা বুলি
পলকতে অৰণ্যৰ সেউজীয়াবোৰ
ৰঙবিহীন
প্ৰজন্মৰ হাহাকাৰ
পাখি পাখি এই মন
পাখি লগা মোৰ মন.....।
আস, জুবিন দা তুমি
জীয়াই আছা জীয়াই আছা
প্ৰতিজন অসমীয়াৰ হৃদয় মঞ্জুষাত।
অ' আমাৰ জুবিন দা।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

# জুবিন, তুমি আকৌ আহিবা দেই.....

■ **ড° বনিমা তালুকদাৰ**

জুবিন, তোমাক কি বিশেষণেৰে বিভূষিত কৰিম বাৰু?
তুমি আমাৰ বাবে আছিলা হিয়াৰ আমঠু,
নৱ প্ৰজন্মৰ হাৰ্থ থ্ৰব, সকলোৰে মন মগজুত সোমাই থকা এজন শিল্পী....
সঁচা অৰ্থত এক মহান শিল্পী....
তোমাৰ সৃষ্টিয়ে সকলোকে বলিয়া কৰিলে জানা...
সকলোৱে দেখিছো তোমাৰ অনুপস্থিতিত তোমাক বিচাৰি ফুৰিছে বাৰে বাৰে.....
বাৰে বাৰে আওৰাইছে তোমাৰ গানবোৰ....
তুমি এনে এজন শিল্পী যি মনৰ নিভৃত কোণৰ পৰা বাৰে বাৰে কৈছিলা মোৰ কোনো জাতি নাই, ধৰ্ম নাই......
কাঞ্চনজংঘাৰ দৰে উচ্চ শিখৰত থাকিব বিচাৰিছিলা তুমি.....
তোমাৰ সৃষ্টিৰাজিত বলীয়ান হৈ সকলো ওলাই আহিছে তোমাক লগ দিবলৈ.....
তুমি আছিলা নিৰহংকাৰী এজন শিল্পী....
জনতাক লৈ আগবাঢ়িব পৰা শিল্পী.....
কেতিয়াও আপোচ কৰিব নিবিচৰা এজন খেয়ালী শিল্পী তুমি....
পলিটিক্স নকৰিবা বন্ধু পলিটিক্স বুলি নিৰ্ভয়ে ক'ব পৰা ব্যক্তিজন.....
শিশুসুলভতা আছিল তোমাৰ চৰিত্ৰৰ এক বৈশিষ্ট্য....
তোমাৰ অনুপস্থিতিত মধুসুদন, উদাসিনী অকলশৰীয়া হ'ল আৰু অকলশৰীয়া হ'ল, তোমাৰ মৰমৰ ইক', ৰেম্বো, টিয়া আৰু মায়া....
জুবিন, তুমি বাৰু গম পাইছিলা নেকি যাব লাগিব বুলি?
সেইবাবে ছাগে ইমান খৰধৰ কৰিছিলা....
তুমি কোৱাৰ দৰে আমি বাৰে বাৰে গাইছো
তোমাৰ সেই গীত মায়াবিনী মধুৰ ৰাতি....
মনে কেতিয়াও মানি ল'ব পৰা নাই তুমি নাই বুলি....
সঁচাই তুমি আমাক বিশ্বাসঘাটকতা কৰিলা...
সাগৰ তলিত শুবৰে মন বুলি কেলেই গাইছিলা বাৰু?
হয়তো সাগৰে বুজি নাপালে তোমাৰ গভীৰতা....
জুবিন, তোমাৰ অনুপস্থিতিত সৃষ্টি হোৱা জনসমাগমে বুজাই দিলে এজন শিল্পী কিমানলৈ নিমজ্জিত হৈ থাকিলে ইমান মৰম আৰু সন্মান পাব পাৰে....
জুবিন, তোমাক বিদায় দিবলৈ আমাৰ বৰ কষ্ট হৈছে জানা....
তথাপি দুখেৰে ক'ব লাগিব বিদায় বুলি....
জুবিন, তুমি এক সত্বা হৈ জীয়াই থাকিবা প্ৰতিজনৰ মাজত
আৰু, তোমাৰ সৃষ্টিৰাজি লৈ আগবাঢ়িব নৱ প্ৰজন্ম.......।

**ম'বাইল ঃ** ৯৪৩৫১-৪৪৭৯৪

## অশ্ৰু নিগৰা গান

*(বিদায়বেলাত অসম তাৰকা জুবিন গাৰ্গলৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি)*

**ছাহজাহান আহমেদ**

আজি সাগৰৰ বুকুত বিলীন হ'ল
হৃদয়ে হৃদয়ে উম লোৱা
সুমধুৰ এটি গান
যি গানৰ বুকুত আছিল
আকাশখন গাত লৈ
সাগৰত নিদ্ৰা যোৱাৰ সপোন
ৰ'দৰ বুকুত ৰং সনা
সেই গানতে আছিল
বিশ্ব জিলিকা ৰহণ
যি গান আছিল
বৰষুণ হৈ নামি আহি
ৰিক্ত পথাৰ জীপাল কৰা
সেউজ সোণালী গান

মায়াবিনী ৰাতিৰ বুকুত
এন্ধাৰ ফালি সপোন দেখা
ধুমুহাৰ সতে নাচি
শ্যামলী ধৰাৰ হাঁহি চোৱা
সেই গানতে মগন
সহস্ৰ জনৰ প্ৰাণ

ৰ'দৰ ফুলেৰে পৃথিৱী সজাই
জনতাৰ হিয়া সেউজী কৰা
শ্যামলী সেই গান
যি গানে গানৰ জীপেৰে জীৱিত কৰে
সুধাকণ্ঠৰ আপুৰুগীয়া গান
সৰগ ফালি উজাৰি আনি
জনতাৰ আগত উজ্বলাই তোলে
জ্যোতি-বিষ্ণুৰ জীৱন
সেই গান বৃদ্ধৰ বুকুৱে বুকুৱে
হেৰোৱা অতীত সোঁৱৰাই দিয়া গান
যুৱকৰ প্ৰাণত ধুমুহা হৈ
নাচোন সলোৱা গান
নিচুকনিৰে ঘুমতি মাতি
শিশু নিচুকোৱা গান
আধুনিকতাৰ গান
পুৰণি ধৰাৰ ইতিহাস জিলিকা গান
দুঃখৰ গান সুখৰ গান
নৱপ্ৰজন্মক প্ৰেৰণা যোগোৱা
আই-পিতাইৰ স্নেহ-বন্ধনৰ গান
সেইগানতে জীৱিত হয়
নাম-বৰগীত জিকিৰেৰে
গুৰুশংকৰ আজান
সেই গানেই আছিল
জগত সভাত
অসমী আইৰ মান জিলিকা গান
আকাশখন গাতে লৈ
সাগৰৰ বুকুত নিমাত আজি
জগত জিলিকা গান
ধৰাৰ বুকুত সহস্ৰজনৰ
অশ্ৰু নিগৰা বান।
বৈকুণ্ঠত পাৰিজাত হৈ ফুলক
জগত সভাত সুৰভি বিলোৱা
অকপট নিঃস্বাৰ্থ
সেই সুৰদীসৰীয়া গান
অনাদি অনন্তকাল
অসমীয়াপ্ৰাণৰ
জ্যোতি হৈ ৰওক
চিৰজ্যোতিষ্মান সেই গান।

# তেজপুৰত বিহু শিল্পী সংস্থা, অসম শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত হাৰ্ট থ্ৰব জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি



**চন্দন শৰ্মা, তেজপুৰ ঃ** অসমীয়া হিয়াৰ আমঠু হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সকলোতে এতিয়া নিস্তব্ধতা বিৰাজ কৰিছে। অসমৰ সম্পদ গৰাকীৰ এনে আকস্মিক মৃত্যুত ৰাজ্যবাসীৰ প্ৰান্তে প্ৰান্তে চলিছে মহান শিল্পী গৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। তাৰ সমান্তৰালকৈ উষানগৰী তেজপুৰত বিহু শিল্পী সংস্থা, অসম শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত কণ্ঠশিল্পী জুবিন গাৰ্গক সমূহীয়াকৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে এক মিনিট সময় মৌনতা অৱলম্বন কৰি শিল্পী গৰাকীৰ গভীৰ শোক প্ৰকাশ কৰে। বিহু শিল্পী সংস্থা, অসম শোণিতপুৰ জিলা সমিতিৰ যুটীয়া সম্পাদক দীপাংকৰ দত্তই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকে জিলাৰ সভাপতি সুৰেন হাজৰিকা, মুখ্য উপদেষ্টা দীপক শইকীয়া, উপদেষ্টা তৰুলতা দাস, ৰুবি বৰা দাস, অঞ্জু ভূএগ্ৰা, যুটীয়া সম্পাদক তপন শইকীয়া, উপ-সভাপতি মুকুল কেওঁট, সহঃসম্পাদক বুবু মেচ, সাংগঠনিক সম্পাদিকা হিমান্তি দেৱী, পল্লৱী হাজৰিকা, তেজপুৰ আঞ্চলিকৰ সভাপতি অসীম শইকীয়াৰ উপৰিও গোলাপ বৰা, শান্তা বৰঠাকুৰ, জোৎস্না শইকীয়া, জীৱন জ্যোতি বৰুৱা, মন্তু কেওঁত, মামু বায়ন, মানস নাথৰ লগতে শিল্পী সংস্থাৰ অন্যান্য শিল্পীসকলৰ লগতে তেজপুৰবাসী ৰাইজেও সুৰসম্ৰাট গৰাকীৰ বিষয়ে গধুৰ ভাষণ প্ৰদান কৰাৰ লগতে গীত পৰিৱেশন, কবিতাৰ ধ্বনিৰে তেজপুৰৰ চৌপাশ কঁপাই তোলে।

# জগদুৱাৰ সংগীত-নাট্য-কলা একাডেমীত গণশিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি

**ৰীতা বৰুৱা, যোৰহাট ঃ** যোৰহাট জিলাৰ টীয়ক জগদুৱাৰস্থিত জগদুৱাৰ সংগীত-নাট্য-কলা একাডেমীত, একাডেমী আৰু টীয়ক ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থাই পাৰস্পৰিক সহযোগত ২১/০৯/২৫ তাং দেওবাৰে, পুৱা ৯ বজাত এখনি শোকসভা অনুষ্ঠিত কৰা হয়। সৰ্বপ্ৰথমে শোক-ধ্বজা উত্তোলন কৰে টীয়ক ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থাৰ সভাপতি ৰঞ্জন বৰুৱাই। অসমৰ সংগীত জগতৰ হৃৎপিণ্ড, প্ৰত্যেকজন অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল আকস্মিক মৃত্যুত শোক প্ৰকাশ কৰি শিল্পীজনাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি ধূপ আৰু বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে মহান শিল্পীজনাৰ আত্মাৰ সদ্‌গতিৰ্থে ভগৱানৰ ওচৰত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। লগতে তেখেতৰ বৃদ্ধ আৰু অসুস্থ পিতৃৰ সু-স্বাস্থ্য কামনা কৰি ভগৱানক প্ৰাৰ্থনা জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়ালটিলৈ সমবেদনা জ্ঞাপন কৰা হয়। সভাত উপস্থিত থাকে ক্ৰমে পূৱ-টীয়ক গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰূপা দত্ত কলিতা, জগদুৱাৰ সংগীত-নাট্য-কলা একাডেমীৰ স্থায়ী সভাপতি অজিত বৰা, অধ্যক্ষা-সঞ্চালিকা ৰীতা বৰুৱা, উপদেষ্টা প্ৰতাপ বৰুৱা, টীয়ক ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থাৰ সভাপতি ৰঞ্জন বৰুৱা, সম্পাদক ভৱেশ হাজৰিকা, বলীন বৰুৱা, উমাকান্ত সাধনিদাৰ, দেৱজিৎ সাধনিদাৰ,পঙ্কজ কলিতা, অসীম বৰুৱা, পাপৰি হাজৰিকা, বিজু কলিতা , চাণক্য পাচনি, শিশু গীতাৰ্থ বৈভৱ বৰুৱা, লক্ষী প্ৰিয়া কলিতা, এঞ্জেল প্ৰিয়া কলিতাৰ লগতে শিল্পী গৰাকীৰ আৰু বহুতো গুণমুগ্ধ। অজিত বৰা, ৰঞ্জন বৰুৱা, ভৱেশ হাজৰিকা, ৰূপা দত্ত কলিতা, প্ৰতাপ বৰুৱা, ৰীতা বৰুৱা, ভাস্কৰ বৰদলৈ আৰু পঙ্কজ কলিতাই শিল্পীজনাৰ স্মৃতিচাৰণ বক্তব্য দাঙি ধৰে। প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা নিৱেদন কাৰ্যসূচী সম্পূৰ্ণ দিন চলি থাকে।

# অমৰ শিল্পী জুবিন গাৰ্গক মৰণোত্তৰভাৱে 'ভাৰতৰত্ন' প্ৰদানৰ আহ্বান জনাইছে অসম সাহিত্য সভাই

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** অসমীয়া জাতিৰ হৃদস্পন্দন, কণ্ঠশিল্পী, সংগীত পৰিচালক, গীতিকাৰ, সুৰকাৰ, অভিনেতা, কবি, ক্ৰীড়াবিদ জুবিন গাৰ্গক 'ভাৰতৰত্ন' প্ৰদানৰ আহ্বান জনাইছে অসম সাহিত্য সভাই। ৪০টা আঞ্চলিক ভাষাত ৩২ হাজাৰৰো অধিক গীত পৰিৱেশন কৰি অমৰ কীৰ্তি ৰচিবলৈ সক্ষম হোৱা বিশ্ববিখ্যাত শিল্পী জুবিন গাৰ্গ যোৱা ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত এক দুৰ্ঘটনাত পতিত হৈ মৃত্যুক আকোঁৱালি লয়। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক সংবাদ বিজ্ঞপ্তিত সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই এক বিবৃতি যোগে জানিবলৈ দি কয়- অসমৰ জনগণৰ দাবীৰ ওপৰত নিৰ্ভৰ কৰি জুবিন গাৰ্গক 'ভাৰতৰত্ন' প্ৰদান কৰিব লাগে। যিহেতু বিগত বৰ্ষসমূহত প্ৰচুৰ প্ৰতিভাসম্পন্ন এইগৰাকী ব্যক্তিৰ প্ৰতি কোনো মৰ্যদাপূৰ্ণ সন্মান চৰকাৰীভাৱে প্ৰদান কৰা নহ'ল। তেখেতৰ অন্তিম যাত্ৰাত অভিলেখসংখ্যক গুণমুগ্ধৰ অংশগ্ৰহণ তেওঁ সমাজ জীৱনত অৰিহণা কিমান সেয়াই তাকেই প্ৰমাণ কৰে। সেয়ে অসম সাহিত্য সভাই হৃদয়েৰে আশা বাঞ্ছা কৰে যে বিশ্ববন্দিত শিল্পী জুবিন গাৰ্গক কেন্দ্ৰীয় চৰকাৰে 'ভাৰতৰত্ন' প্ৰদান কৰিব লাগে। সভাই বিজ্ঞপ্তিটোত জানিবলৈ দিয়া মতে- কেন্দ্ৰীয় চৰকাৰৰ লগত এই সন্দৰ্ভত অসম সাহিত্য সভাই যোগাযোগ কৰিব। ইফালে সভাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো এক পত্ৰযোগে জুবিন গাৰ্গক মৰোণোত্তৰভাৱে 'ভাৰতৰত্ন' প্ৰদান কৰাৰ প্ৰসংগত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে আহ্বান জনোৱা হ'ব। অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

# জুবিন গাৰ্গলৈ নগাঁও জিলা সাহিত্য সভাৰ শ্ৰদ্ধাঞ্জলি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** অসমীয়াৰ হিয়াৰ আমঠু, বৰেণ্য শিল্পী জুবিন গাৰ্গৰ অপ্ৰত্যাশিত বিয়োগৰ বাৰ্তা বিয়পি পৰাৰ পিছৰে পৰা অসমৰ প্ৰান্তেপ্ৰান্তে জনোৱা হৈছে শ্ৰদ্ধাঞ্জলি। নগাঁও জিলা সাহিত্য সভাইও বিয়লি জিলা সাহিত্য সভাৰ টোদী ভৱন প্ৰাংগণত অনুষ্ঠিত হয় এক শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে প্ৰয়াত জনপ্ৰিয় শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে কাৰ্যসূচী মুকলি কৰে। ইয়াৰ পিছতে সমৱেত সাহিত্যানুৰাগী-সাংস্কৃতিক প্ৰেমীসকলে যুৱপ্ৰজন্মৰ হৃদস্পন্দন জুবিন গাৰ্গৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনায়। অসম সাহিত্য সভাৰ নগাঁও জিলা আঞ্চলিক কাৰ্য্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই আঁত ধৰা এই শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকী, প্ৰাক্তন জিলা সভাপতিদ্বয় ৰতিমোহন নাথ, থগিত মহন্ত, অৱসৰপ্ৰাপ্ত অধ্যাপক মোহিনী মোহন ডেকা, অধিবক্তা বিভা ফুকন, সমাজকৰ্মী বিজয় কুমাৰ মঙ্গলুনিয়া, গুৰুমুখ সিং, আনোৱাৰ পাৰভেজ আদিয়ে শিল্পীগৰাকীৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত অভিমত দাঙি ধৰে। অনুষ্ঠানত অৱসৰ শিক্ষক শশীন্দ্ৰ দেৱ মহন্ত, লেখক খগেন চন্দ্ৰ নাথ, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা, জয়ন্ত বৰা, মিন্টু দাস, বিভিন্ন শাখা সাহিত্য সভাৰ বিষয়ববীয়া প্ৰমুখ্যে যথেষ্ট সংখ্যক সাহিত্যানুৰাগী লোক উপস্থিত থাকে।

শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছাৰে...
সমূহ অসমবাসী ৰাইজৰ লগতে নগাঁওবাসী ৰাইজলৈকো মোৰ ফালৰ পৰা শাৰদীয় দুৰ্গা পূজাৰ হিয়াভৰা শুভেচ্ছা জনালোঁ।


গীতাঞ্জলি হাজৰিকা
সভানেত্ৰী
নগাঁও জিলা পৰিষদ

## এটা যুগৰঅৱসান হ'ল

**ৰুমী কলিতা দত্ত**
কেন্দুগুৰি

তোমাৰ গীতবোৰেই
জোন-জোনাক আৰু বেলিৰ পোহৰ
জুবিন নহয়... নহয় ই একোটি অক্ষৰ।

অসমী আইৰ জীৱনৰ চাকিৰ শলিতা
বিপুল শ্ৰমেৰে হৈ থাকিবা জগতৰ মুকুতা।
গুণময় জগতৰ মায়াৰ সাগৰ ভ্ৰমি
বিবেক বুদ্ধিৰে জয়ী যতেক জনৰ
কিয় বিচাৰিলা মুক্তিৰ পথ?

ওমলাঘৰতে কৰিছিলা ধেমালি
লৈছিলা তুমি পিহি পিহি
লাহ দিয়া বেলিটোৰ ৰংবোৰ বুটলি
থৈছিলা জীৱনৰ পিহনাত থাপি।

এতিয়া মাথোন অশ্ৰু অঞ্জলি যাচিছোঁ
আহিব নালাগে আৰু
কোনোকালে উভতি এইবাটে
নেদেখাজনে দিয়ক
তোমাৰ জীৱনৰ পৰম গতি।

আকাশৰৰ কোঁহে কোঁহে
যেতিয়া থাকিবা বিয়পি
তোমাৰ গীততেই
প্ৰতি ৰেণু মিহলি হৈ থাকিব
তুমিও জগতত হৈ থাকিবা অবিনাশী।
ৰৈ আছোঁ আজি পাদ্য-আৰ্ঘ্য লৈ
অসমীৰ বুকুত মানৱী সোঁত আছে বৈ
তুমি থাকিবা আকাশত বিজুলীৰ ৰেখা হৈ।

## জুবিন দা অমৰ তুমি

**ৰূপালী চুতীয়া**
ডিব্ৰুগড়

সৰগলৈ কিয় যাব লাগে
মায়াবিনী গাবলৈ
সাগৰলৈ কিয় গ'লা
মন গ'ল বুলিয়েই শুবলৈ?
এবাৰ ভাবি নাচালা
তুমি বিহীন বতাহ
তুমি বিহীন আকাশত
ৰামধেনু আজি ওলাল উলোটাকৈ।
বতাহ, বৰষুণ অলেখ লোকৰ
হৃদয় স্তব্ধ কৰি
হিয়া জ্বলাই জ্বলাই শেষ আজি,
সকলোৰে মন দাপোনত
আছিলা, আছা, থাকিবা
জীয়াই আজীৱন তুমি।
তুমি অমৰ জুবিন দা
তোমাৰ চুম্বকীয় কণ্ঠই
তোমাক মৰিবলৈ নহয়
জীয়াই ৰাখিম আমি।
তুমি আমাৰ হৃদয়স্পন্দন
ভগৱান তুমি অসমৰ
তুমি পুৱাৰ হৰি নামত,
বিহুত বিহু নামত,
প্ৰেমিকৰ ৰুমালৰ ভাঁজত
হাঁহিৰ দুটি কোমল ওঁঠত
বিৰাজমান প্ৰতিটো মুহূৰ্তত।
ব্ৰজ কণ্ঠৰে ধুমুহাৰ বৃষ্টি আনি
ময়াবিনী শক্তিৰে তুমি
জগত জিনি সকলোকে
কন্দুৱাই আঁতৰি নাযাবা,
জুবিন দা তুমি মৰিব নোৱাৰা
জীয়াই আছা থাকিব সদায়
জুবিন দা অমৰ তুমি
অমৰ তুমি।

শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছাৰে...
KHAAMJUNG
খামজাং
Khutikatia, Nagaon (Assam)


Contact : +91 69017 57757

## জুবিন দাৰ স্মৃতিত .....

**মামণি চুতীয়া গগৈ**

অনামিকা, যন্ত্ৰ আদি কৰি
মনলে উভতি অহা ল'ৰালিৰ পৰা চিলা উৰুৱাই
কিয় তুমি সাগৰৰ তলিত
শুই পৰিলা জুৱিন দা
তুমি আৰু জংকিয়ে কণ্ঠ
নিগৰাইছিলা
মৃত্যু এতিয়া সহজ
এতিয়া তুমিয়ে দেখোন
আঁতৰি গ'লা মৃত্যুক
সহজ কৰি ..
তুমিয়েই এদিন গাইছিলা
ধুমুহাৰ সতে মোৰ বহু
যুগৰে নাচোন
সাগৰৰ ধুমুহাৰ সতে নাচি
তুমি কিয় অজান দেশলৈ
আঁতৰি গ'লা
তুমি কৈছিলা সাগৰৰ তলিত
মোৰ শুবলৈ মন
সঁচাকৈয়ে তুমি সুৰৰ
মহাসাগৰত বিলীন
হৈ পৰিলা ঢৌৰ লগত
তোমাৰ শৰীৰটো বিলীন
হৈ পৰিলেও
জনতাৰ তেজে তেজে
সদায় প্ৰাণ পায় থাকিব
সৰগত জিলিকি থাকিব
উজ্বল নক্ষত্ৰ হৈ
গায় যাম সদায়
তোমাৰ গীতবোৰ ...।



## শিশু মনৰ জুবিন দা

**অনামিকা (সংগীতা) কলিতা,**
শুৱালকুছি

এটা যুগৰ অৱসান ঘটিল
এনে অনুভৱ প্ৰতিটো দিনৰ দিনলিপি
সময়ৰ গতিশীল জীৱনৰ পৰিচয়
ঠিকনা বিহীন হৈ গুচি গ'ল
আমাৰ সকলোৰে মৰমৰ জুবিন দা
ধৰ্মৰ প্ৰচীৰ ভাঙি একতাৰ দোলেৰে গাঁঠিছে
শিশুৰ দৰে পৱিত্ৰ মন নাই কোনো কলুষতা
বিচাৰে যায় মানুহৰ মৰম।
আজি তেওঁ আমাৰ মাজৰ পৰা হেৰাই গ'ল
কিন্তু যুগে যুগে অনুৰাগীৰ হৃদয়ত উজ্বলি থাকিব
আকৌ নতুন দিগন্ত হৈ আহিব
জগতক পোহৰ বিলাবলৈ।
**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

## শ্ৰদ্ধাঞ্জলি, অসমীয়া জাতিৰ স্বাভিমান জুবিন গাৰ্গলৈ

**বিষ্ণু ডেকা**

এক প্ৰতিভা নোহোৱা হ'ল
এক অনন্য কণ্ঠ নোহোৱা হ'ল
এক বিস্ময়কৰ সুৰৰ ঝংকাৰ নোহোৱা হ'ল
এক কিম্বদন্তি নোহোৱা হ'ল
হঠাতে তেওঁ গুচি গ'ল
সাগৰ তলিৰ ইঙ্গিত বিছনাখনত
শান্তিৰ অনন্ত শনয়নত শুবলৈ
তেওঁ গুচি গ'ল
নিস্পৃহ আকাংক্ষাৰে আমাক এৰি থৈ
ৰূই থৈ গ'ল তেওঁ এজোপা ৰজনীগন্ধা
দি থৈ গ'ল তেওঁ
কস্তুৰীৰ সুবাস
অমিয় সুৰৰ কণ্ঠ
অক্ষয় ভাণ্ডাৰ
অসমীয়া জাতিক
উদ্দীপিত কৰিবলৈ।

## গভীৰ শ্ৰদ্ধাৰে সুঁৱৰিছো জুবিন দা

**প্ৰনতি চৌধুৰী**
তেজপুৰ চিকিৎসা মহাবিদ্যালয়

পাখিতে পাখি লগাই জুবিন দা নোহোৱা হ'ল
আনে যোৱা বাটেৰে গৈ জুবিন দা হেৰাই গ'ল
বিয়পি পৰিলে জানা অসমীয়াৰ হৃদয়ত শোকৰ ছাঁ
ফুল ফুলক গায় থাকোঁতেই ফুল মৰহি গ'ল আজি
পপীয়া তৰা বিচাৰি জুবিন দা স্বগগামী হ'ল আজি
দূৰে দূৰে আৰু কেনেকৈ থাকিম আমি
প্ৰীতি ভৰা গান কেনেকৈ শুনিম আজি
কি হ'ব এই জীৱন তোমাৰ অবিহনে
ভবাই নাছিলো সাগৰৰ তলিত এনেকৈয়ে শুই যাবা বুলি
আকাশে বতাহে উজ্বলি থকা এক ৰঙীন তৰা
মায়াবিনি ৰাতিৰ অন্ধ আকাশত
কোনো দিনে এন্ধাৰ হ'ব নোৱাৰা জোনটো
এন্ধাৰতে হেৰাই গ'লা
গা ভৰা বয়সতে সকলোকে কন্দুৱাই এটা যুগ নোহোৱা হ'ল
আজি আকৌ এটা গান শেষ হ'ল
আজি আকৌ এটা গান শেষ হ'ল।

## জুবিনৰ স্মৃতিত (গীতৰ ভাষাৰে)

**ডম্বৰু আচাৰ্য**
ৰঙাচকুৱা, শোণিতপুৰ

গান এটি শেষ হৈ গ'ল
এটা যুগৰ অৱসান হ'ল
সৃষ্টি স্থবিৰ কৰি
থাওকতে কিয় জানো
এটা সূৰ্য্য নোহোৱা হ'ল।

'সাগৰতে শুবৰ মন' বুলি কোৱা
হিয়াৰ আমঠু শুই গ'ল
আলোকে আৱৰা বিশাল গগন চুমি
মৃত্যু শিল্প হৈ ৰ'ল
এটা সূৰ্য্য নোহোৱা হ'ল।

পাখি মেলা ঘোঁৰাবোৰে
সাগৰ বিচাৰি ফুৰে
মৃত্যু সহজ হৈ ৰ'ল
প্ৰতিবাদী সত্বাৰ সাহীয়াল তৰাবোৰো
আজিচোন দিশহাৰা হ'ল
এটা গানৰ পাহাৰ খহি গ'ল
এটা সূৰ্য্য নোহোৱা হ'ল।

স্তব্ধ আকাশ আজি
নিঠৰুৱা মেঘবোৰ
জোনৰ সেওঁতাখনো
উকা হৈ ৰ'ল
অশ্ৰু বন্যা ঢালি
নিমিষতে ৰ'দালিয়ে
পাখি মেলি উৰি গুচি গ'ল
এটি সাগৰ শুকাই গ'ল
এটা সূৰ্য্য নোহোৱা হ'ল...

অস্তাচলত কান্দে
আধালেখা গানবোৰে
সুৰৰ গৰিমা পৰি ৰ'ল
কোনে বাৰু চিঞৰিব
ধুমুহাৰ বক্ষ ফালি
অসমীৰ বুকু আজি শূণ্য পৰি ৰ'ল
এটা গানৰ সমাধি হ'ল
এটা সূৰ্য্য নোহোৱা হ'ল...।

## আকাশ সাৱতি সাগৰ তলিত শুই পৰা মানুহজন

**ভাস্কৰ জ্যোতি দাস,** দদৰা

খহি পৰিল আজি নক্ষত্ৰ এটি
শেষ হৈ গ'ল সেই অবিৰত গীতি
ৰুদ্ধ হ'ল ধুমুহাৰ অৱৰুদ্ধ দ্ৰুতি
স্তব্ধ হ'ল জোৱাৰৰ যতিহীন গতি
ক্ষণ জন্মা যেন নিৰৱধি সৃষ্টি
কোলাহলৰ মাজত সুৰৰ বৃষ্টি

ৰাতিৰ বুকুৰ মায়াবিনী
ৰাতিৰ বুকুৰ মায়াবিনী বিচাৰি
ঐয়াঙে দৈয়াঙে ঘুৰি ফুৰি
অজস্ৰ গীতৰ সুৰ সামৰি
ক্ষণিকৰ বাবে নপৰিল ভাগৰি
সেই নক্ষত্ৰ হেৰোৱা ক্ষণত
বাৰে বাৰে উঠিছো শিঁয়ৰি

অন্ত হ'ল আজি সেই কাঁচিয়লি যুগৰ
অৱসান হ'ল সেই অমিয়া সুৰৰ
যাৰ সুৰত ৰঙীন জাতিটোৰ প্ৰতিটো প্ৰহৰ,
প্ৰতিজন অসমীয়াৰ শিল্পী হেঁপাহৰ
সংগীতৰ সুৰুয তেওঁ প্ৰতি প্ৰভাতৰ

সমগ্ৰ জাতিৰ বুকু ঢপ্‌ঢপ্ কৰে
ভদীয়া ঢলৰ দৰেই চকুলো সৰে

এনে এটি ক্ষণত ক্ষান্ত হৈ কিদৰে থাকো
আধৰুৱা সুৰৰ সাতোৰঙী কিদৰেনো আঁকো?
সাগৰতলিত শুই পৰা চিৰ নতুন তৰাটিক
মুকলি আকাশখনেৰে কিদৰে ঢাকো?

শত শত যোজন ঘূৰি ঘূৰি ফুৰি ফুৰি আহি
অসমী আইৰ কোলাতেই আকৌ উপজিব
সুৰৰেই পানচৈ লুইতৰ বুকুৰেদি আকৌ মেলি দিব
যুগে যুগে শিল্পৰ বীজ হৈ প্ৰতিজনৰে হৃদয়ত গজিব
পলে পলে সুৰ হৈ প্ৰতি অসমীয়াৰ কণ্ঠেৰে নিগৰিব।

## এক চিৰযুগমীয়া সুৰ

**সীমাপ্ৰভা গগৈ**
লখৰা

সুউচ্চ সুদৰ্শন ব্যক্তিত্বৰ অধিকাৰী
প্ৰতিটো খোজতে সৃষ্টিৰাজিৰ একাজঁলি
শব্দহীন আজি প্ৰতিটো অন্তৰ আত্মা
শৈশৱ সোণালী দিনৰ পৰা অন্তিম অমৰ
জীৱন গতিশীল, বিচাৰি যায় পৰিৱৰ্তনৰ গতি
সহজ জানো মানি লোৱা প্ৰতিমুহূৰ্তে কৰে প্ৰশ্নৱলী
সোণৰ অসম গঢ়াৰ প্ৰতিটো সৃজনীত মনৰ লক্ষ্য
পোহৰাই দিয়ে বাট আদৰ্শ নতুন প্ৰজন্মক
জীৱন কালৰ আদি অনাদি এক আপুৰুগীয়া প্ৰভাৱ
চিৰসেউজ, গতিশীল ৰূপে আগবঢ়াই কুৰি শতিকাৰ।

## হাৰ্টথ্ৰব জুবিন দা

**কল্যাণী গগৈ (মুনু)**
চিলাপথাৰ, ধেমাজি


অসমী আইৰ বুকুৰ
প্ৰকৃতিৰ সন্তান তুমি
সমগ্ৰ অসমবাসীৰ
হাৰ্টথ্ৰব তুমি সংগীত শিল্পী
তোমাৰ কণ্ঠত বিৰাজমান
মা সৰস্বতীৰ
তুমি প্ৰতিবিম্ব সমগ্ৰ
অসমীয়া জাতিৰ
তুমিয়েই অসমীয়া জাতিৰ সত্তা
তুমিয়েই সাহিত্য-সংস্কৃতিৰ নৱ স্ৰষ্টা
কিন্তু আজি যেন
চৌপাশ নিতাল নিস্তব্ধ
আজি ম্লান হৈ পৰিল
এটি উজ্বল নক্ষত্ৰ
জীৱনৰ শেষ বিন্দু হৈছে মৃত্যু
যাৰ কোনো আদি নাই,
মাথোঁ শূণ্যতাৰ ই এক বিৰাম যাত্ৰা
তথাপিও দেখোন
কিছুমান মৃত্যুক মানি লোৱাটো
বৰ কঠিন হৈ পৰে
তেনে এক অবিশ্বাস্য, অসহনীয় দুৰ্ঘটনাত
আজি চিৰ বিদায় ললা তুমি
চিংগাপুৰৰ অচিন সাগৰৰ বুকুত
যি ঘটনাই নিমিষতে কাঢ়ি নিলে
অসমীয়াৰ হৃদয়ৰ হাৰ্টথ্ৰব
দেশবাসীৰ বুকু আজি
উদং হৈ পৰিল
সামৰণি পৰিল একোটা যুগৰ
অসমবাসীৰ প্ৰস্ফুটিত দুখৰ বুকুত
ই যেন কল্পনাতীত

যাৰ প্ৰতিটো গীতৰ
গাম্ভীৰয্যপূৰ্ণ অৰ্থেৰে কঁপাইছিল ধৰা
যিয়ে পংগু মানৱক
সংগীত, সাহিত্যৰ মাজেৰে
জীৱন জীয়াৰ বাট দেখুৱাইছিল
তেওঁ 'মায়াবিনী ৰাতিৰ বুকুত' ৰ'দ হৈ
চিৰ দিনলৈ নুমাই গ'ল
শুভ্ৰ আকাশৰ এটি ধ্ৰুৱ তৰা
হে মহান শিল্পী জুবিন দা
তোমাৰ শ্ৰীচৰণত জনালোঁ
মই শতকোটি প্ৰণাম
অসমীয়া জাতিৰ স্বাভিমান তুমি
অধীৰ আগ্ৰহেৰে বাট চাম তোমালৈ
পুনৰ উভতি আহিবা তুমি
নতুনত্বৰ জোৱাৰে অসমবাসীৰ বুকুৰ
চিৰজ্যোতিযমান সম্পদ হৈ।
**ম'বাইল ঃ** ৯৩৬৫৯-৬১২৫৪



শাৰদীয় দূৰ্গা পূজাৰ শুভেচ্ছাৰে...

সমূহ অসমবাসী ৰাইজৰ লগতে নগাঁওবাসী ৰাইজলৈকো মোৰ ফালৰ পৰা শাৰদীয় দূৰ্গা পূজাৰ হিয়াভৰা শুভেচ্ছা জনালোঁ।





ডাঃ তপন শইকীয়া
যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, নগাঁও

প্ৰথম পৃষ্ঠাৰ পৰা

# জুবিন গাৰ্গ ঃ অসমৰ সাংস্কৃতিক আকাশৰ উজ্বল নক্ষত্ৰ

অসমীয়া লোক সংগীতৰ উপৰিও তেওঁ হিন্দী, বঙালী, নেপালী, ভোজপুৰীৰ লগতে অসমৰ জনজাতীয় ভাষা যেনে বড়ো, কাৰ্বি, মিচিং, গাৰো, ৰাভা আদিত গীত গাই শ্ৰোতাৰ হৃদয় জিনিবলৈ সক্ষম হৈছিল।

তেওঁ এইটো ভালকৈ বুজি পাইছিল যে, যুৱ-প্ৰজন্ম হ'ল এখন দেশৰ ভৱিষ্যতৰ মেৰুদণ্ড। তেওঁলোকৰ শক্তি, সৃজনশীলতা আৰু উদ্ভাৱনী ক্ষমতাই দেশখনক প্ৰগতিৰ দিশে আগুৱাই লৈ যায়। সেয়ে তেওঁ যুৱ-প্ৰজন্মক উদ্বুদ্ধ কৰিবৰ বাবে সহস্ৰ গীত গাইছিল। তেওঁৰ কণ্ঠৰ আৱেগ, সুৰৰ বৈচিত্ৰ্যৰে অসংখ্য কালজয়ী গীত সৃষ্টি কৰিছিল, যিয়ে তেওঁক যুৱ-প্ৰজন্মৰ হাৰ্টথ্ৰবত পৰিণত কৰিছিল।

১৯৯২ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত পাশ্চাত্য গীত পৰিৱেশন কৰি স্বৰ্ণপদক লাভ কৰাটো আছিল তেওঁৰ জীৱনৰ মাইলৰ খুঁটি। এই সাফল্যই তেওঁৰ মনত আত্মবিশ্বাস জগাই তুলিছিল আৰু সংগীতৰ পথত আগুৱাই যোৱাৰ প্ৰেৰণা দিছিল। সেই বছৰেই তেওঁৰ প্ৰথম এলবাম 'অনামিকা' মুক্তিৰ জৰিয়তে পেছাদাৰী সংগীত জগতত আত্মপ্ৰকাশ কৰিছিল। এইখন কেছেটৰ 'মনৰ নিজানত জোনাক আছিলে..', 'গানে কি আনে সুৰৰ সোপানে সোপানে...' আদি গীতসমূহ অসমীয়া সংগীতৰ জগতত এক নতুন ঢৌৰ সৃষ্টি কৰে।

১৯৯৪ চনত মুক্তি লাভ কৰা শ্ৰব্য এলবাম 'মায়া'য়ো শ্ৰোতাৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰিবলৈ সক্ষম হয়। মায়াৰ 'মায়া', 'নিৰিবিলি গধুলি', 'জোনাকে কানে কানে' আদি গীতৰ আকৰ্ষণীয় সংগীত আৰু নতুন ধৰণৰ সুৰে সৰ্বসাধাৰণ শ্ৰোতাৰ মাজত সমাদৰ লাভ কৰিছিল।

১৯৯৫ চনত মুক্তি লাভ কৰা এখন এলবাম হ'ল 'আশা' য'ত 'আশা', 'মেঘৰ বৰণ', 'মোৰ মনকে' লৈ সাতটি জনপ্ৰিয় গীত আছিল। তেওঁৰ জনপ্ৰিয় শ্ৰব্য এলবামসমূহৰ ভিতৰত অন্যতম আছিল- ২০০০ চনত মুক্তি লাভ কৰা 'পাখি'। এলবামটিৰ 'পাখি পাখি এই মন', 'আহে বা নাহে', 'পাখি মেলি দিয়ে' গীতকেইটা অতিকৈ জনপ্ৰিয় হৈছিল।

তেওঁৰ ভগ্নী জংকী বৰঠাকুৰ আছিল এগৰাকী গায়িকা আৰু অভিনেত্ৰী, কিন্তু ২০০২ চনত তেজপুৰত এটা মটৰ দুৰ্ঘটনাত তেওঁৰ অকাল বিয়োগ ঘটে। এই ঘটনাই জুবিনৰ জীৱনত গভীৰ শোকৰ ছাঁ পেলায়। তেওঁৰ স্মৃতিত জুবিনে 'শিশু' নামৰ এলবাম মুক্তি দিয়ে, য'ত তেওঁৰ আৱেগ আৰু শোকৰ গভীৰ প্ৰকাশ ঘটিছিল। বঙালী ছবি 'শুধু তুমি'ৰ সংগীতৰ বাবে তেওঁ ২০০৫ চনত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰে। ২০০৬ চনত মুক্তি লাভ কৰা 'গেংষ্টাৰ' নামৰ ছবিখনত কণ্ঠদান কৰা 'য়া আলি ৰেহম আলি...' গীতটিৰ বাবে তেওঁ 'গ্ল'বেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড' আৰু 'ষ্টাৰডাষ্ট' বঁটা লাভ কৰি শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ সন্মান কঢ়িয়াই আনে। ইয়াৰ উপৰিও তেওঁ প্যাৰ কে চাইদ এফেক্টছ ছবিত 'জানে ক্যা চাহে মন...', ক্ৰিছ-৩ ছবিৰ 'দিল টু হ্যে বটা', নমষ্টে লণ্ডনৰ দিলৰুৱা, আই চি ইউৰ ছুবহ আদি তেওঁৰ উল্লেখযোগ্য হিন্দী গীত।

ইংৰাজী-খাচী ছবি 'Echoes of Silence'ৰ সংগীতৰ বাবে তেওঁ ৰাষ্ট্ৰীয় বঁটা লাভ কৰে, যিটো তেওঁৰ কেৰিয়াৰৰ এক উল্লেখযোগ্য প্ৰাপ্তি। ২০১৪ চনত অসমীয়া সংগীতত নতুন মাত্ৰা যোগ কৰাৰ বাবে তেওঁক ৰেনেছাঁ অসম বঁটাৰে সন্মানিত কৰা হয়। তেওঁ নিজৰ নামত প্ৰায় চল্লিছখন এলবাম মুক্তি দিছিল আৰু ২৪খনতকৈ অধিক অসমীয়া ছবিৰ সংগীত পৰিচালনা কৰিছিল। তেওঁৰ অসমীয়া ছবি 'তুমি মোৰ মাথোঁ মোৰ'ত তেওঁ কাহিনী, পৰিচালনা আৰু অভিনয় কৰিছিল। ২০০৫ চনৰ ৰাষ্ট্ৰীয় বঁটা পোৱা ছবি 'দীনবন্ধু'ত তেওঁ অভিনয়ৰ লগতে সংগীত পৰিচালনা আৰু সহ-প্ৰযোজনাৰ দায়িত্ব পালন কৰিছিল। ইয়াৰ উপৰিও হিয়া দিয়া নিয়া, দাগ, নায়ক, জোনাকী মন, ৰ'দৰ চিঠিকে ধৰি অসমীয়া আৰু অন্যান্য ভাষাৰ ছবিত সংগীত পৰিচালনা কৰিছে। জুবিনে কণ্ঠদান কৰা শেষৰ গীতটো আছিল 'Would you know my name/ If I saw you in heaven/ Would it be the same/ If I saw you in Heaven...'

উক্ত গীতটোৰ পংক্তিবোৰে স্বৰ্গত প্ৰিয়জনৰ সৈতে পুনৰ মিলনৰ সময়ত সম্পৰ্ক একে থাকিব নে নাই তাৰ ওপৰত প্ৰশ্ন কৰা হৈছে। এইদৰে তেওঁ জীৱনৰ শেষলৈকে ৪০টামান ভাষাত প্ৰায় ৪০০০০ৰো অধিক গীতত কণ্ঠদান কৰিছিল, যিটো তেওঁৰ অসাধাৰণ প্ৰতিভাৰ জ্বলন্ত প্ৰমাণ। তেওঁৰ গীতত প্ৰেমৰ মায়াময় সুৰ, শৈশৱৰ বিচিত্ৰ স্মৃতি, যৌৱনৰ উচ্ছলতা, দেশপ্ৰেম, জাতীয় চেতনা আৰু সমসাময়িক সমাজ জীৱনৰ প্ৰতিচ্ছবিৰ এক অপূৰ্ব সমাহাৰ ঘটিছে। তেওঁ কৈছিল, 'মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই' এয়া তেওঁৰ মানৱতাবাদী দৃষ্টিভঙ্গীৰ স্পষ্ট প্ৰতিফলন। এই গভীৰ মানৱতাবোধৰ বলত তেওঁ সমাজৰ দুৰ্বল শ্ৰেণীৰ কাষত থিয় দিছিল। অসমৰ বিভিন্ন সংকটৰ সময়ত-প্ৰাকৃতিক দুৰ্যোগ হওক বা মহামাৰীয়েই হওক-তেওঁ সদায় দুৰ্গতজনৰ কাষত থাকি বিভিন্ন ধৰণে সহায় আগবঢ়োৰ লগতে মনত সাহস আৰু আশাৰ সঞ্চাৰ কৰিছিল। ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বাবে আৰ্থিক সাহায্য, ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা আৰু দুৰ্যোগৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাৰ জৰিয়তে তেওঁ নিজৰ দাতব্য কৰ্মৰ পৰিচয় দিছিল।

প্ৰকৃতিৰ প্ৰতি তেওঁৰ প্ৰেমো তেওঁৰ গীতৰ দৰেই হৃদয়স্পৰ্শী। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে তেওঁৰ অৱদান আছিল উল্লেখযোগ্য। পৰিৱেশ সংৰক্ষণৰ প্ৰতি তেওঁৰ এই নিষ্ঠা তেওঁৰ গীতৰ মাধ্যমেৰেও প্ৰকাশ পাইছিল, যিয়ে প্ৰকৃতিৰ সৌন্দৰ্যক উদ্‌যাপন কৰাৰ লগতে সংৰক্ষণৰ বাৰ্তা প্ৰচাৰ কৰিছিল। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত জন্মগ্ৰহণ কৰা এই মহান শিল্পীগৰাকীৰ জীৱনৰ পৰিসমাপ্তি ঘটে ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত সংঘটিত হোৱা এক শোকাৱহ দুৰ্ঘটনাত। লগে লগে অসমে হেৰুৱালে এজন অদম্য সাহসী, স্পষ্টবাদী, উদাৰ, সহিষ্ণু আৰু সমাজহিতৈষী সাংস্কৃতিবান ব্যক্তিক। আজি অসমে এক অমূল্য সম্পদ হেৰুৱাই শোকত ম্ৰিয়মাণ হৈ পৰিছে।

জুবিন গাৰ্গৰ এই বহুমুখী জীৱন আৰু কৰ্মই তেওঁক কেৱল এজন সংগীত শিল্পী হিচাপেই নহয়, এজন প্ৰকৃত মানৱদৰদী আৰু সমাজৰ পথপ্ৰদৰ্শকৰূপে অসমৰ ইতিহাসত জিলিকাই ৰাখিছে। তেওঁৰ অমৰ সৃষ্টি আৰু কৰ্মৰাজিয়ে যুগে যুগে অসমীয়াক মন্ত্ৰমুগ্ধ কৰি ৰাখিব। শেষত এই শিল্পীসত্বালৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

**ম'বাইল ঃ** ৯৯৫৪১-৩৯৪৯৩

# সমাজৰ নিঃকিন নিঃস্বজনলৈ জুবিনে সহায়ৰ হাত

অসমবাসীয়ে বিগত প্ৰায় তিনিটা দশকৰ পূৰ্বেই উমান পাইছিল। জুবিন গাৰ্গ অসমবাসীৰ বাবে কেৱল যে এজন জনপ্ৰিয় গায়কহে আছিল সেই কথা মানি ল'ব নোৱাৰি। অনন্য শিল্পী সত্তাৰ মাজেৰেই তেওঁ বিশেষকৈ বানাক্ৰান্ত আৰু সমাজৰ নিঃকিন-নিঃস্বসকললৈ সহায়ৰ হাত আগবঢ়োৱাৰ উপৰিও সংকটকালীন পৰিস্থিতিত ৰাজ্যবাসীৰ সামগ্ৰিক কল্যাণ সাধনৰ হকে সময়ে সময়ে উদাত্ত কণ্ঠ নিগৰাই প্ৰয়োজন সাপেক্ষে ৰাইজক নেতৃত্ব প্ৰদান কৰি সামাজিক দায়বদ্ধতা পালন কৰি আহিছে। কিছুসংখ্যক সমালোচকে তেওঁক স্বভাৱগতভাৱে খেয়ালী মগজুৰ ব্যক্তিৰূপে অভিহিত কৰি আহিছে যদিও কাৰ্যতঃ অতি স্পষ্টবাদী, মেৰুদণ্ড পোনকৈ ৰখা এগৰাকী অসমীয়া, স্বাভিমানী আৰু মত প্ৰকাশৰ ক্ষেত্ৰত সামান্যতমো আপোচ কৰিবলৈ সচৰাচৰ অসন্মত এজন নিৰ্ভীক ব্যক্তিৰূপেই অসমবাসীৰ হৃদয়ত জুবিনে এক বিশেষ স্থান লাভ কৰি আহিছে। এক স্বকীয় ধ্যান-ধাৰণাৰে পুষ্ট হৈ তেনেকৈয়ে আজীৱন পৰিচালিত হৈ নিজস্ব দৃষ্টিভংগীৰে আদৰ্শ প্ৰতিষ্ঠা কৰিব বিচৰা, স্বাধীনমনা, এক সুকীয়া গায়ন শৈলীৰে চহকী শিল্পীগৰাকী যে আচলতে বহুমুখী প্ৰতিভাৰ আকৰ আছিল সেই কথা তেওঁৰ স্বৰচিত আৰু সুৰাৰোপিত গীতসমূহ, সংগীত আৰু চলচ্চিত্ৰৰ পৰিচালনা, অভিনয় আদিৰ মাজেৰে সুন্দৰকৈ পৰিস্ফূট হৈ উঠিছিল, যি কথাৰ প্ৰমাণ আমি সকলোৱে বিগত সময়ছোৱাত প্ৰত্যক্ষ কৰি আহিছোঁ। স্বকীয় শৈলীৰে আৱেগ ঢালি গোৱা গীতসমূহেৰে অনেকৰে হৃদয়ত চিৰস্থায়ী সাঁচ বহুৱাই থৈ আমাক সকলোকে এৰি কোনোবা অজান মুলুকলৈ গুচি যোৱা অসমবাসীৰ প্ৰাণৰ স্পন্দন স্বৰূপ জুবিন গাৰ্গৰ মৃত্যু আমাৰ বাবে যে এক অপূৰণীয়,অসহনীয় ক্ষতি, সেই কথাত কোনো সন্দেহ নাই। ৰাজ্যখনৰ লগতে দেশজুৰি শোকৰ বন্যা বৈছে। শিশুৰ পৰা আৰম্ভ কৰি বয়োবৃদ্ধসকললৈকে চতুৰ্দিশে আজি দেখিছোঁ মাথোঁ স্বতঃস্ফূৰ্ত শ্ৰদ্ধাঞ্জলি। আজি যেন চিংগাপুৰৰ সেই সমুদ্ৰখনক চিঞৰি চিঞৰি ক'ম- 'হে সমুদ্ৰ, তুমি আমাৰ অমূল্য ৰত্নটিক আমাৰ মাজৰ পৰা হঠাতে এনেকৈ লৈ যোৱাৰ অধিকাৰ ক'ৰ পৰা পালা ?'

অন্যান্যসকলৰ লগতে আমিও আজি স্বাভাৱিকতে শোকাহত, বাকৰুদ্ধ। সদ্য-প্ৰয়াত শিল্পীজনলৈ জনাইছোঁ আমাৰ আন্তৰিক হিয়াভৰা শ্ৰদ্ধাঞ্জলি। অদৃষ্টজনাই তেওঁৰ আত্মাক সদ্‌গতি প্ৰদান কৰে যেন, এয়ে তেৰাৰ ওচৰত আমাৰ একান্ত প্ৰাৰ্থনা।

# নতুন সঙ্গীতৰ ধাৰা সৃষ্টি কৰিছিল জুবিন

অধিকাৰী। ড° ভূপেন হাজৰিকা, খগেন মহন্তৰ আদিৰ দৰে স্মৰণীয় কণ্ঠশিল্পীসকলেও সুৰৰ যাদুৰে সৃষ্টি কৰি অসম বাসীৰ মন মুহি সফলতা লাভ কৰি যে গৈছে সেয়া নিঃসন্দেহে স্মৰণীয়। তেওঁলোকে এই সৃষ্টিৰ জৰিয়তে অসমীয়া সাংস্কৃতিক জগতক চহকী কৰি থৈ গৈছে। তেওঁলোক আমাৰ চিৰ নমস্য। কিন্তু জুবিন গাৰ্গ আছিল অনন্য। তেওঁ নতুন নতুন চিন্তা ধাৰাৰে সঙ্গীতৰ সুৰ, লয় আৱিষ্কাৰ কৰি ভাল পাইছিল, যাৰ বাবে অসমৰ লগতে দেশৰ বাহিৰতো সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। মুঠতে তেওঁৰ ধাৰণা আছিল অন্যতম সুকীয়া। জুবিনৰ সেই ধাৰণাই আমাৰ উঠি অহা ল'ৰা-ছোৱালী তথা প্ৰজন্মক আকৰ্ষণ কৰিব পাৰিছে তথা মন জয় কৰিব পাৰিছে। চাবলৈ গ'লে তেওঁৰ ব্যক্তিত্বত আছিল ল'ৰালি সুলভ কথা বতৰা, আনহাতে কথা শৈলীত পূৰ্ণতাও মন কৰিব লগীয়া আছিল। সেয়েহে ক'ব পাৰি যে সেই পূৰ্ণতা, সেই শিশু সুলভ ধাৰণা আনতকৈ বহুত বেলেগ-কাৰণ তেওঁ আছিল নিৰ্ভীক, সাহসী আৰু কৰ্মপটু। এয়াই মোৰ ধাৰণা হয়। জুবিনৰ মৃত্যুত আমি মৰ্মাহত, তেওঁৰ শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো।

# সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন

লগতে কয় যে এটা যাদুকৰী কণ্ঠৰ অধিকাৰী জুবিন গাৰ্গে তেওঁৰ অবিস্মৰণীয় সৃষ্টিৰাজিৰ জৰিয়তে চিৰদিন অসমবাসীৰ মাজত জীৱন্ত হৈ থাকিব। অফুৰন্ত প্ৰতিভাৰ অধিকাৰী শিল্পীগৰাকীৰ কৰ্ম আৰু অৱদানে ৰাজ্যৰ নৱপ্ৰজন্মৰ শিল্পীসকলক সদায়ে অনুপ্ৰাণিত কৰি যাব বুলিও মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জুবিন গাৰ্গৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# জুবিন গাৰ্গ অমৰ হওক

নকৰা নহয়। কিন্তু তেওঁ যে এনেভাৱে অসমৰ জনসাধাৰণক আনকি ভাৰতবৰ্ষৰ জনসাধাৰণক এটা ভয়ংকৰ খবৰ দিব এই কথা ভাবিব নোৱাৰি। জুবিন গাৰ্গৰ যিসকল অনুৰাগী দুখী হৈ পৰিছে ময়ো এতিয়া তেওঁলোকৰে এজন। আৰু এটা বৰ দুখৰ কথা যে বহু সময়ত অনেকে জুবিন গাৰ্গৰ উতনুৱা গীত-মাতবিলাক দেখে আৰু সমালোচনা কৰে। কিন্তু তেওঁলোকে আনকি আমাৰ অসমৰ লোক-সংগীতেই কেৱল নহয়, বিশেষকৈ ধৰ্মীয় গীত-মাতো শুনিছে। জুবিনক সেইসকলৰ কোনেও খন্তেকৰ বাবেও পাহৰিব নোৱাৰে। মোৰ মনত পৰিছে মোৰ এটা কাহিনী এটা গোটে চলচ্চিত্ৰ ৰূপ দিওঁতে জুবিনে তাত যি গীতটি পৰিৱেশন কৰিছে, মই সেই গীতটিৰ কথাও পাহৰিব নোৱাৰোঁ। আমি এতিয়া জুবিনক নতুনকৈ আৱিষ্কাৰ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। এইটোৱেই যেন আমাৰ পণ হয়।

চাৰি পৃষ্ঠাৰ পৰা

# কেতিয়াও উভতি নহাৰ বাটেৰে গুচি গ'ল অসমীয়াৰ হাৰ্টথ্ৰব গণশিল্পী

হৈছিল। কেৱল সেয়ে নহয়, তেওঁ আছিল এজন সক্ৰিয় সমাজসেৱক। তেওঁ এজন অনুষ্ঠান বুলি গণ্য কৰিব পাৰি; যিয়ে দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত ৰোগীৰ ওচৰত সদায় থিয় হৈছিল, শিল্পীৰ সহায়ৰ বাবে শিল্পী ন্যাস গঠন কৰিছিল, কি গঁড় হত্যাৰোধ কি বানপানীত দুৰ্গতৰ ওচৰত সকলোতে অগ্ৰগামী ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ আছিল দুখীয়া নিচলাৰ পৰম বন্ধু; প্ৰকৃত গণশিল্পী।

জুবিন গাৰ্গৰ এই অকাল বিয়োগত মৰ্মাহত হৈ পৰিছে অসম তথা ভাৰতবাসী। অসমীয়া সাহিত্য সংস্কৃতি আৰু সংগীত জগতৰ এই অপূৰণীয় ক্ষতি বা শূন্য স্থান কোনোৱে পূৰ্ণ কৰিব নোৱাৰে। তেওঁ মৰিও অমৰ। তেওঁৰ সুৰৰ ঝংকাৰ, বাদ্যযন্ত্ৰত সৃষ্টি কৰা অপূৰ্ব সোৱাদ আৰু শক্তিশালী অভিনয় দক্ষতাই অসমীয়া জাতিক বিশ্বদৰবাৰত স্বকীয় বৈশিষ্ট্যৰে পৰিচয় কৰাই দিবলৈ সক্ষম হৈছে। তাৰ বাবে জুবিন গাৰ্গ আমাৰ চিৰ-নমস্য।

**ম'বাইল ঃ** ৯১০১৪-৬৫৮০৫

# জামুগুৰিহাটত ৰঙাচকুৱা বনিক সন্থাৰ উদ্যোগত হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি

**চন্দন শৰ্মা, তেজপুৰ ঃ** অসমীয়া হিয়াৰ আমঠু হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সকলোতে এতিয়া নিস্তব্ধতা বিৰাজ কৰিছে। অসমৰ সম্পদ গৰাকীৰ এনে আকস্মিক মৃত্যুত ৰাজ্যবাসীৰ প্ৰান্তে প্ৰান্তে চলিছে মহান শিল্পী গৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। তাৰ সমান্তৰালকৈ জামুগুৰিহাটৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি হিচাপে পৰিচিত বৃহত্তৰ ৰঙাচকুৱা ব্যৱসায় কেন্দ্ৰৰ মাজমজিয়াত শনিবাৰে সন্ধিয়া ৰঙাচকুৱা বনিক সন্থাৰ উদ্যোগত কণ্ঠশিল্পী জুবিন গাৰ্গক সমূহীয়াকৈ সহস্ৰাধিক গুণমুগ্ধ, অনুৰাগীসকলে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে এক মিনিট সময় মৌনতা অৱলম্বন কৰি শিল্পী গৰাকীৰ গভীৰ শোক প্ৰকাশ কৰে। ইয়াৰ লগতে শিল্পীগৰাকীৰ অনুৰাগীসকলেও শনিবাৰে সন্ধিয়া কবিতা আবৃতি, বিশাল বাইক ৰেলী, পদ যাত্ৰাৰে শ্ৰদ্ধাঞ্জলি জনোৱা পৰিলক্ষিত হয়। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ৰঙাচকুৱা বনিক সন্থা, ৰঙাচকুৱা বিহুমেলা কমিটি, ৰঙাচকুৱা ৰাস কমিটি, ৰঙাচকুৱা উন্নয়ন সমিতি, পশ্চিম মূঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি, আঞ্চলিক সদস্যা, ঢেকেৰিগাঁও, ঔহলাগাঁৱত আই-মাতৃ ও বাপসকল, ৰঙাচকুৱা ব্ৰাহ্মণ সমাজৰ সভানেত্ৰী, সম্পাদিকা, সদস্যসকল, ৰঙাচকুৱা নায়ক গাঁৱৰ আই-মাতৃ, যুৱক-যুৱতীসকল, ৰঙাচকুৱা কেন্দ্ৰীয় নামঘৰৰ আই মাতৃ, বাপসকল, উত্তৰ জামুগুৰিৰ কেন্দ্ৰীয় হৰি কীৰ্ত্তন সমিতিৰ সভাপতি, সম্পাদক, সদস্যসকল, ৰঙাচকুৱা দুৰ্গা পূজা সমিতিৰ সভাপতি, সম্পাদক, সদস্যসকল, ই-ৰিক্সা কমিটিৰ সভাপতি, সম্পাদক, সদস্যসকলৰ লগতে বিভিন্ন অঞ্চলৰ যুৱক-যুৱতীসকলেও শিল্পিগৰাকীক গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

সত্যমেৱ জয়তে
অসম চৰকাৰ

# মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি

উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ





ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

**অসমৰ ৩৮০ৰো অধিক স্থানত একেটা দিনতে আনুষ্ঠানিকভাৱে আবেদন-পত্ৰ বিতৰণ**

## সুবিধাসমূহ

| শাখা | মাহিলি ধনৰাশি * | সৰ্বাধিক মুঠ পুঁজি |
|---|---|---|
| উচ্চতৰ মাধ্যমিক (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,০০০ টকা | ১০,০০০ টকা |
| স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচী পাঠ্যক্ৰম (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,২৫০ টকা | ১২,৫০০ টকা |
| স্নাতকোত্তৰ আৰু বি এড (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ২,৫০০ টকা | ২৫,০০০ টকা |

*বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক ১০ মাহৰ বাবে পুঁজি লাভৰ সুবিধা

## সময়সূচী ২০২৫-২৬

| কাৰ্যসূচীসমূহ | সময়সূচী |
|---|---|
| আবেদন-পত্ৰ বিতৰণ | ৬ আগষ্ট – উচ্চতৰ শিক্ষা আৰু এছ চি ই আৰ টি |
| | ৭, ৮, ৯ আগষ্ট – মাধ্যমিক শিক্ষা |
| মহাবিদ্যালয়/বিদ্যালয় কৰ্তৃপক্ষৰ দ্বাৰা ছাত্ৰীৰ তথ্য আপলোডৰ বাবে প'ৰ্টেল মুকলি | ৭ আগষ্ট |
| প'ৰ্টেল বন্ধ | ৫ ছেপ্টেম্বৰ |
| এছ বি আই প'ৰ্টেলত তথ্য আপলোড | ১৫ ছেপ্টেম্বৰ |
| চেক বিতৰণ | অক্টোবৰ |

২০২৪-২৫ বৰ্ষ
১.৬ লাখ
ছাত্ৰীৰ বাবে
১৩৩ কোটি টকা
বিতৰণ

২০২৫-২৬ বৰ্ষ
৪ লাখ+
ছাত্ৰীলৈ
নিযুত মইনা আঁচনিৰ
সুবিধা

## সামাজিক প্ৰভাৱ

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ
- আৱেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক নোহোৱা পৰ্যন্ত কন্যাৰ বিবাহ ৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

## অৰ্হতা

- অসমত স্থায়ীভাৱে বাস কৰা ছাত্ৰী
- নিম্নোল্লিখিত পাঠ্যক্ৰম গ্ৰহণ কৰা ছাত্ৰী
  - উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম
  - নতুন শিক্ষা নীতি ২০২০ৰ অধীনৰ সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰম
  - চৰকাৰী শিক্ষানুষ্ঠানত স্ব-পুঁজিৰে গ্ৰহণ কৰা পাঠ্যক্ৰম

## কোনে আঁচনিখনৰ সুবিধা লাভ নকৰে?

- বিবাহিতা ছাত্ৰী (স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাদে) আৰু চাকৰিয়াল বি এড ছাত্ৰী
- মন্ত্ৰী, সাংসদ আৰু বিধায়কৰ কন্যা
- বাণীকান্ত কাকতি বঁটা (স্কুটী) লাভ কৰা ছাত্ৰী
- ব্যক্তিগত শিক্ষানুষ্ঠানৰ ছাত্ৰী

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

Janasanyog RO no 2210/25/26-September-25

# কুণ্ডিল নগৰ উন্নয়ন সমিতিৰ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন



গুৱাহাটী ঃ ‘মায়াবিনী ৰাতিৰ বুকুত...’ এক কালজয়ী গীতৰ স্ৰষ্টা অসমৰ হিয়াৰ আমঠু মৰমৰ শিল্পী জুবিন গাৰ্গ পঞ্চভূতত বিলীন হৈ গ’ল। সোণাপুৰৰ কমাৰকুছিত অন্তিম সৎকাৰ কৰা দৃশ্যই প্ৰতিজন অসমীয়াৰ অশ্ৰু সিক্ত কৰি তুলিলে। ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে শ্ৰদ্ধাৰ শিল্পীজনৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হৈছে। কুণ্ডিল নগৰ উন্নয়ন সমিতিৰ উদ্যোগতো কুণ্ডিল নগৰ কৃষ্ণ মন্দিৰ প্ৰাংগণত মৰমৰ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে। শোকত ম্ৰিয়মান হৈ পৰা কুণ্ডিল নগৰবাসীৰ নিৰ্বাক হৈ ৰৈছে মাথোঁ। মৰমৰ শিল্পীজন এনেদৰেই যে হঠাতে আমাৰ মাজৰ পৰা গুচি যাবগৈ কোনেও কল্পনা কৰা নাছিল। কুণ্ডিল নগৰ উন্নয়ন সমিতিৰ প্ৰতিজন সদস্যই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। জুবিন গাৰ্গৰ আত্মাৰ সদ্গতি কামনা কৰিছে।

শাৰদীয় দূৰ্গা পূজাৰ শুভেচ্ছাৰে...

সমূহ অসমবাসী ৰাইজৰ লগতে নগাঁওবাসী ৰাইজলৈকো মোৰ ফালৰ পৰা শাৰদীয় দূৰ্গা পূজাৰ হিয়াভৰা শুভেচ্ছা জনালোঁ।

কেশৱ মহন্ত
ৰাজহ, দুৰ্যোগ, ব্যৱস্থাপনা তথ্য প্ৰযুক্তি,
বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিবৰ্তনৰ মন্ত্ৰী, অসম

BA Animal Feed Centre
ইয়াত ব্ৰইলাৰ ফ্ৰামৰ সকলো সামগ্ৰী পোৱা যায়।
যোগাযোগ নম্বৰ
94350-61306, 86381-38348
মুখ্য কাৰ্যালয়
এম বি ৰোড
(নগাঁও চিভিল হাস্পতালৰ পিছফালে)

BA Animal Feed Centre
ইয়াত গৰু, ছাগলী, হাঁহ, কুকুৰাৰ দানাৰ লগতে ব্ৰইলাৰ, হাঁহ, সোণালী, লোকেল পোৱালিৰ অৰ্ডাৰ লোৱা হয়।
যোগাযোগ নম্বৰ
94350-61306, 86381-38348
মুখ্য কাৰ্যালয়
এম বি ৰোড
(নগাঁও চিভিল হাস্পতালৰ পিছফালে)

শাৰদীয় দূৰ্গা পূজাৰ শুভেচ্ছাৰে...

DESIGNERTOUCH
A Complete Interior Designing Solution
DESIGNERTOUCH
Since 2005
GARGI SHARMA
Email ID : argi_sharma79@gmail.com
Address : B.B. Road, Amolapatty, Nagaon (Assam)
Contact : 9706061050 , 7002345164

FINE DINE
Taste of Assam
ভাত
মাছ, মাংস, পৰঠা, পুৰি, ৰুটি
- Chowmin
- Burger
- Chicken Item
- Maggi
- Biryani
- Pasta
- Fried Rice
- Roll
- Mutton Item
- Paneer
- Pakora
- Coffee
- Tea

A.T. Road, Near Morigaon Bus Stand
Nagaon (Assam)

শাৰদীয় দূৰ্গা পূজাৰ শুভেচ্ছাৰে...

আ. পি. ভোজনালয়
R.P. BHOJNALAYA
Lawkhowa Road, Diphalu, Nagaon (Assam)
অসমীয়া থলুৱা খাদ্যৰ জুতি লওঁক।
নিৰামিষ আৰু আমিষ দুয়োটা
Both Veg and Non-Veg




HOME
DELIVERY
AVAILABLE
Contact : 9706959576

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা